# কৰিন্থীয়াবিলাকৰ প্ৰতি প্ৰথম পত্ৰ

**১** ১ঈশ্বৰৰ ইচ্ছা অনুসাৰে যীচু খ্ৰীষ্টৰ আমন্ত্ৰিত পাঁচনি, মই পৌলে তোমালোকলৈ অভিবাদন আগবঢাইছো। আৰু খ্ৰীষ্টত আমাৰ ভাই চোস্থিনিৰ পৰাও অভিবাদন গ্ৰহন কৰিবা।

২কৰিন্থীয়াত থকা ঈশ্বৰৰ মণ্ডলীৰ সমীপলৈ যি সকল লোকক যীচু খ্ৰীষ্টত শুচি কৰি পবিত্ৰ বুলি গন্য কৰা হৈছে,আৰু সকলো ঠাইতে থকা সেই মনোনীত লোকসকললৈ, যি সকলে যীচু খ্ৰীষ্টক তেওঁলোকৰ আৰু আমাৰো প্ৰভু বুলি বিশ্বাস কৰে।

৩তোমালোকলৈ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু শান্তি হওক।

### পৌলে ঈশ্বৰক ধন্যবাদ দিয়া

৪যীচু খ্ৰীষ্টৰ দ্বাৰা তেওঁৰ যি অনুগ্ৰহ তোমালোকলৈ দিয়া হৈছে, তাৰ কাৰণে তোমালোকৰ বাবে মই সদায় ঈশ্বৰক ধন্যবাদ দিওঁ। ৫কিয়নো তোমালোকৰ সকলো বক্তৃতাত আৰু সকলো জ্ঞানত তেওঁতেই তোমালোক সকলো প্ৰকাৰ আৰ্শীবাদত উপচি পৰিছা। ৬এইয়ে খ্ৰীষ্টৰ বিষয়ে আমি কোৱা সত্য কথাৰ সত্য প্ৰমান কৰিলে। ৭সেইকাৰণে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পুনৰাগমনলৈ অতি আগ্ৰহেৰে অপেক্ষা কৰা দিনলৈকে, তোমালোকৰ কোনো আত্মীক বৰৰ অভাৱ নহব। ৮তেওঁৱেই তোমালোকক শেষলৈকে থিৰেৰে ধৰি ৰাখিব, যাতে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অহা দিনত তোমালোক নিৰ্দোষী হোৱা।। ৯ঈশ্বৰ বিশ্বাসী; তেৱেঁই সেইজন, যিজনৰ দ্বাৰা তেওঁৰ পুত্ৰ, আমাৰ প্ৰভু যীচুখ্ৰীষ্টৰ সৈতে সহভাগি হবলৈ তোমালোক আমন্ত্ৰিত হলা।

### কৰিন্থীয়া মণ্ডলীৰ সমস্যা সমূহ

১০হে মোৰ ভাই আৰু ভনীসকল, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামত মই তোমালোকক অনুৰোধ কৰিছোঁ, তোমালোকে ইজনে সিজনে একমত হৈ থাকা, তোমালোকৰ মাজত যেন কোনো বিভাজন নাথাকে। তোমালোক সকলোৱে যাতে এক মন আৰু এক উদ্দেশ্যৰে ঐক্যতাত সম্পূৰ্নভাবে সিদ্ধ হোৱা।

১১মোৰ ভাই আৰু ভনীসকল,ক্লোয়ীৰ পৰিয়ালৰ কিছু সদস্যই মোক জনাইছে যে তোমালোকৰ মাজত বিভিন্ন বাক-বিতণ্ডা লাগি আছে। ১২মই যি কবলৈ বিচাৰিছো সেইটো হল: তোমালোকৰ মাজত কোনোৱে, “মই পৌলৰ শিষ্য,” আকৌ আন কিছুমানে “মই আপোল্লোৰ শিষ্য বুলি,” আৰু কোনোৱাই “মই পিতৰৰ শিষ্য,” আকৌ আন কিছুমানে “মই খ্ৰীষ্টৰ শিষ্য,” বুলি ইজনে সিজনক কৈছে। ১৩খ্ৰীষ্টক কি বিভিন্ন দলত ভাগ কৰা হল? পৌল তোমালোকৰ বাবে ক্ৰুচবিদ্ধ হোৱা নাছিল,হৈছিল নেকি? তোমালোকে জানো পৌলৰ নামত বাপ্তিস্ম লৈছিলা? ১৪মই ঈশ্বৰক ধন্যবাদ দিওঁ যে, মই ক্ৰীস্পচ আৰু গায়ৰ বাহিৰে তোমালোকৰ কাকো বাপ্তিস্ম দিয়া নাই। ১৫যাতে কোনেও কব নোৱাৰে যে, তোমালোক মোৰ নামেৰে বাপ্তিস্ম লৈছা। ১৬মই স্তিফানৰ পৰিয়ালৰ লোকক বাপ্তিস্ম দিছিলো কিন্তু তাৰ বাদে আৰু আন কাকো বাপ্তিস্ম দিয়া মোৰ মনত নপৰে। ১৭কিয়নো খ্ৰীষ্টই মোক বাপ্তিস্ম দিবৰ বাবে নহয় কিন্তু শুভবাৰ্তা প্ৰচাৰৰ বাবেহে পঠিয়ালে। তেওঁ মোক সেই শুভবাৰ্তা জাগতিক জ্ঞানৰ ভাষাত প্ৰচাৰ কৰিবলৈ পঠোৱা নাই, যাতে খ্ৰীষ্টৰ ক্ৰুচৰ শক্তি ব্যৰ্থ নহয়।

### যীচু খ্ৰীষ্টত ঈশ্বৰৰ শক্তি আৰু প্ৰজ্ঞা

১৮কাৰন ক্ৰুচ সম্পৰ্কীয় শিক্ষা বিনাশৰপাত্ৰ হোৱাবিলাকলৈ মুৰ্খতা; কিন্তু উদ্ধাৰ পোৱা যি সকল আমাৰ বাবে এয়াই ঈশ্বৰৰ শক্তি। ১৯যেনেকৈ শাস্ত্ৰত লিখা আছে:

“মই জ্ঞানীসকলৰ জ্ঞান নষ্ট কৰিম
  আৰু সুবুদ্ধিৰ জ্ঞান বিবেচনা ব্যৰ্থ কৰিম।”

*যিচয়া ২৯:১৪*

২০জ্ঞানী দাৰ্শনীক কত? অধ্যাপক বা বিধান পণ্ডিত ক'ত? এই কালৰ নিপুন যুক্তি তৰ্ককাৰীয়েই বা কত? ঈশ্বৰে কি জগতৰ এই সকলো জ্ঞান মূৰ্খতালৈ পৰিণত কৰা নাইনে? ২১সেয়ে ঈশ্বৰে তেওঁৰ প্ৰজ্ঞাত যেতিয়া নিৰ্ণয় ললে যে জগতে নিজৰ জ্ঞান অনুসৰি ঈশ্বৰক নাজানিলে, গতিকে বাৰ্ত্তাৰ মূৰ্খতাৰ দ্বাৰায় বিশ্বাসকাৰী বিলাকৰ পৰিত্ৰাণ কৰিবলৈ ঈশ্বৰ সন্তুষ্ট হল।

২২কিয়নো যিহুদীসকলে আচৰিত চিন বিচাৰে, আৰু গ্ৰীকসকলে প্ৰজ্ঞাৰ অন্বেষণ কৰে। ২৩কিন্তু আমি হলে ক্ৰুচত হত হোৱা সেই খ্ৰীষ্টৰ বাৰ্ত্তাহে প্ৰচাৰ কৰো।এই বাৰ্তা যিহুদীবিলাকলৈ বিঘিনিস্বৰূপ আৰু অযিহুদীবিলাকৰ বাবে মূৰ্খতাস্বৰূপ। ২৪কিন্তু যিহুদী আৰু অযিহুদী, ঈশ্বৰে যিবিলাকক আহ্বান কৰিলে তেওঁলোক সকলোৰে কাৰনে খ্ৰীষ্টই ঈশ্বৰৰ শক্তি আৰু প্ৰজ্ঞাস্বৰূপ। ২৫আনকি ঈশ্বৰৰ যি মূৰ্খতা সেয়া মানুহৰ জ্ঞানতকৈ অনেক অধিক জ্ঞানসম্পন্ন; আৰু ঈশ্বৰৰ যি দুৰ্বলতা সেয়া মানুহৰ শক্তিতকৈ অনেক অধিক শক্তিশালী।

২৬হে মোৰ ভাই আৰু ভনীসকল, ঈশ্বৰে তোমালোকক তেওঁৰ বাবে আমন্ত্ৰণ কৰিলে। তাকে ভাবি চোৱা!

জগতৰ দৃষ্টিত তোমালোক অনেকে যে জ্ঞানী আছিলা
তেনে নহয়, ক্ষমতাসম্পন্ন ব্যক্তি আছিলা এনে নহয় বা
অনেকে যে অভিজাত বংশৰ পৰা সেয়াও নহয়; ২৭কিন্তু
ঈশ্বৰে জগতৰ দৃষ্টিত মূৰ্খ বিষয়বিলাক মনোনীত কৰিলে,
যাতে সেইবিলাকে জ্ঞানীসকলক লাজ দিয়ে। ঈশ্বৰে
জগতৰ দৃষ্টিত দুৰ্ব্বল বিষয়বিলাক মনোনীত কৰিলে যাতে
সেইবিলাকে বলবানসকলক লাজ দিয়ে। ২৮জগতৰ
দৃষ্টিত যিবিলাক হেয়জ্ঞান আৰু ঘৃণিত, যাৰ কোনো মূল্য
নাই, সেই সকলকো ঈশ্বৰে মনোনীত কৰিলে, যাতে যি
সকলো জগতৰ দৃষ্টিত মূল্যবান সেই সকলোকে তেওঁ নষ্ট
কৰিব পাৰে। ২৯ঈশ্বৰে এই কৰ্ম্ম কৰিলে যাতে কোনেৰেও
তেওঁৰ আগত থিয় হব নোৱাৰে আৰু দৰ্প কৰিব নোৱাৰে।
৩০ঈশ্বৰেই তোমালোকক খ্ৰীষ্ট যীচুৰ সৈতে সংযুক্ত
কৰিলে। খ্ৰীষ্টই আমাৰ কাৰণে ঈশ্বৰে দিয়া জ্ঞান, তেৱেঁই
আমাৰ ধাৰ্মিকতা, পবিত্ৰতা আৰু তেওঁৰ কাৰণেই আমি
ধাৰ্ম্মিক আৰু পবিত্ৰ হিচাপে গণিত হলো। খ্ৰীষ্টই সেই
জন যি জনে আমাক পাপৰ পৰা মুক্ত কৰিলে। ৩১শাস্ত্ৰত
যেনেকৈ লিখা আছে, “যি কোনোৱে গৰ্ব কৰে সেইজন
প্ৰভুতেই গৰ্ব কৰক।”[a]

## ক্ৰুচবিদ্ধ খ্ৰীষ্টৰ বিষয়ে বাৰ্তা

২ ১হে প্ৰিয় ভাই আৰু ভনীসকল, যেতিয়া মই
তোমালোকৰ ওচৰলৈ গৈছিলো,তেতিয়া মই
তোমালোকক ঈশ্বৰৰ গুপুত সত্যতা প্ৰচাৰ কৰিছিলো, কিন্তু
সেই বাক্য মই মানুহৰ জ্ঞানৰ অলঙ্কাৰযুক্ত ভাষাৰে প্ৰচাৰ
কৰা নাই। ২কিয়নো মই নিশ্চয় কৰিছিলো যে, তোমালোকৰ
লগত থকা সময়ছোৱাত বাকী সকলো বিষয় পাহৰি কেৱল
যীচু খ্ৰীষ্ট আৰু তেওঁৰ ক্ৰুচীয় মৃত্যুৰ বিষয়হে মোৰ একমাত্ৰ
চিন্তনীয় বিষয় হব। ৩মই তোমালোকৰ ওচৰলৈ যাওঁতে
দুৰ্ব্বলীৰ নিচিনা হৈ ভয়ত কপি কপি গৈছিলো। ৪সেয়ে মোৰ
শিক্ষা আৰু প্ৰচাৰ পৰোচনামূলক জ্ঞানৰ মনোমোহা কথা
নাছিল, কিন্তু মোৰ উপদেশ আত্মাই দিয়া শক্তিৰ সাক্ষ্য
আছিল, ৫যাতে তোমালোকৰ বিশ্বাস মানুহৰ জ্ঞানৰ ওপৰত
নিৰ্ভৰ নকৰি, ঈশ্বৰৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰে।

## ঈশ্বৰৰ প্ৰজ্ঞা

৬আমি বিশ্বাসত পৰিপক্কসকলৰ মাজত জ্ঞানৰ শিক্ষা দিওঁ,
কিন্তু আমি শিক্ষা দিয়া জ্ঞান এই জগতৰ নহয়, নাইবা এই
জগতৰ বিনাশৰপাত্ৰ শাসনকৰ্তা সকলৰ জ্ঞান নহয়। ৭কিন্তু
আমি ঈশ্বৰৰ নিগূঢ়তত্ত্বৰ জ্ঞানৰ কথা কওঁ।যি জ্ঞান এই
পয্যন্ত সকলোৰে পৰা গুপুতে ৰখা আছিল।আৰু ঈশ্বৰে
এই জ্ঞানে আমাক মহিমান্বিত কৰিবৰ অৰ্থে সৃষ্টিৰ পূৰ্বেই
নিৰুপিত কৰি ৰাখিছিল। ৮সেই জ্ঞানৰ কথা এই কালৰ
শাসনকৰ্তাবিলাকৰ মাজত কোনেও বুজিব নোৱাৰিলে, যদি
ইয়াক জনা হলে, তেওঁলোকে কেতিয়াও আমাৰ মহান
আৰু মহিমাময় প্ৰভুক ক্ৰুচত বধ নকৰিলহেঁতেন। ৯কিন্তু
সেই গুপ্তজ্ঞানৰ কথা শাস্ত্ৰত যেনেকৈ লিখা আছে:

“মানুহৰ চকুৱে যি কেতিয়াও দেখা নাই,
মানুহৰ কাণে যি কেতিয়াও শুনা নাই,
আনকি মানুহৰ মনে কেতিয়াও যি কল্পনা কৰা নাই,
তেনে বিষয়সমূহ ঈশ্বৰে তেওঁক প্ৰেম কৰোঁতা
সকলৰ নিমিত্তে যুগুত কৰিলে।” *যিচয়া ৬৪:৪*

১০কিন্তু ঈশ্বৰে আত্মাৰ দ্বাৰাই সেই সকলো আমাৰ আগত
প্ৰকাশ কৰিলে।
কিয়নো আত্মাই সকলো অনুসন্ধান কৰে, এনে কি
ঈশ্বৰৰ নিগূঢ়তত্ত্বৰো অনুসন্ধান কৰে। ১১বিষয়টো এনেদৰে:
কোনেও আনজন মানুহৰ মনত কি চিন্তা কৰিছে তাক
নাজানে। কেৱল সেই ব্যক্তিৰ আত্মাই, যি তেওঁৰ অন্তৰত
থাকে সেই ভাৱবিলাক জানে। সেই একেদৰে, কেৱল
ঈশ্বৰৰ আত্মাৰ বাদে ঈশ্বৰৰ মনৰ কথা কি তাক কোনেও
নাজানে। ১২এতিয়া আমি জগতৰ আত্মা গ্ৰহণ কৰা নাই কিন্তু
সেই আত্মা যি ঈশ্বৰৰ ওচৰৰ পৰা আহিছে, তেওঁক গ্ৰহণ
কৰিছো, যাতে ঈশ্বৰে অনুগ্ৰহ কৰি বিনামূ্যলে আমালৈ যি
সকলো দান কৰিলে তাক জানিব পাৰো।
১৩যেতিয়া এই সকলো বিষয় জনাওঁ তেতিয়া আমি
সেইবোৰক মানুহে শিকোৱা জ্ঞানৰ বাক্যৰে নহয়, কিন্তু
পবিত্ৰ আত্মাই শিকোৱা বাক্যৰে কওঁ। আত্মিক সত্যতা
বুজাবলৈ আত্মিক বাক্যই ব্যৱহাৰ কৰোঁ। ১৪যিবিলাক
লোকৰ ঈশ্বৰৰ আত্মা নাই তেওঁলোকে তেওঁৰ আত্মাৰ
পৰা অহা বিষয়বিলাক গ্ৰহণ কৰিব নোৱাৰে, কিয়নো
তেওঁলোকে এই সকলো মূৰ্খতা বুলি ভাবে, তেওঁলোকে
তাক বুজিবলৈ নোৱাৰে,কাৰন সেই বিষয়বোৰ কেৱল পবিত্ৰ
আত্মাৰ সহায়তহে বুজিব পৰা যায়। ১৫কিন্তু আত্মিকজনে
সেই নিগুঢ়তত্বৰ বিষয়ে বিচাৰ কৰিব পাৰে।তথাপি আত্মা
অবিহনে তেওঁৰ সম্বন্ধে কোনেও সঠিক বিচাৰ কৰিব
নোৱাৰে। কিয়নো শাস্ত্ৰত যেনেকৈ কোৱা হৈছে:

১৬ “কোনে যিহোৱাৰ আত্মাৰ তত্ব বুজিব পাৰিছিল,বা
কোনে তেওঁক নিৰ্দ্দেশ দিব পাৰিছিল?”
*যিচয়া ৪০:১৩*

কিন্তু আমাৰ ওচৰত হলে খ্ৰীষ্টৰ মন আছে।

## মানুহক অনুসৰন কৰা উচিত নহয়

৩ ১গতিকে,প্ৰিয় ভাই আৰু ভনীসকল,মই যেতিয়া
তাত আছিলো,মই তোমালোকক আত্মিক
লোকসমূহৰ লগত কথা কোৱাৰ নিচিনা কথা কব পৰা
নাই।কিন্তু তোমালোক খ্ৰীষ্টীয় জীৱনত শিশুৰ নিচিনা
হোৱাত জগতৰ মাংসিক লোকসমূহক কথা কোৱাৰ দৰেহে
কথা কওঁ। ২মোৰ শিক্ষাত তোমালোকক টান আহাৰ নিদি

[a] **১:৩১** উদ্ধৃতি যিৰিমিয়া ৯:২৪

গাখীৰহে পান কৰাইছিলো, কিয়নো তোমালোক টান
আহাৰ গ্ৰহণ কৰিবলৈ যুগুত নাছিলা; এনে কি তোমালোক
এতিয়াও যুগুত হোৱা নাই। ৩কাৰন তোমালোক এতিয়াও
মাংসিক প্ৰভাৱত আছা। তোমালোকৰ মাজত আজিলৈকে
ঈৰ্ষা,আৰু সদায়েই বাদ-বিবাদ চলি আছে,সেয়ে
তোমালোক জগতৰ স্বাভাৱিক মানুহৰ দৰে আচাৰ-ব্যৱহাৰ
কৰা নাইনে? ৪কিয়নো তোমালোকৰ মাজত যেতিয়া
কোনোৱে, “মই পৌলৰ মানুহ,” আকৌ কোনোৱে, “মই
আপল্লোৰ মানুহ ”বুলি কোৱাত কি তোমালোক জাগতিক
সাধাৰন মানুহবিলাকৰ নিচিনা হোৱা নাইনে?
৫প্ৰকৃততে আপল্লো কোন? আৰু পৌলেই বা কোন?
আমি ঈশ্বৰৰ দাস মাত্ৰ, যিসকলৰ দ্বাৰা তোমালোক বিশ্বাসত
আহিলা।আৰু প্ৰভুৱে আমাৰ প্ৰতিজনক দিয়া কৰ্ম্ম অনুসাৰে
আমি কৰিলো। ৬মই কঠীয়া ৰুঁলো আৰু আপল্লোৱে পানী
দিলে, কিন্তু ঈশ্বৰেহে তাক বৃদ্ধি হবলৈ দিলে। ৭সেয়ে
কঠীয়া ৰোৱাজন বা পানী দিয়াজন একো নহয় কিন্তু বৃদ্ধিকৰ্তা
ঈশ্বৰেহে সকলোতকৈ শ্ৰেষ্ঠ। ৮দুয়ো একে উদ্দেশ্যে কৰে,
আৰু প্ৰতিজনক নিজ কৰ্ম অনুসাৰে বেচ দিয়া হব। ৯কিয়নো
আমি পৰস্পৰ ঈশ্বৰেই সহকৰ্মী আৰু তোমালোক এক
শস্যক্ষেত্ৰৰ নিচিনা, যাৰ মালিক স্বয়ং ঈশ্বৰ।
তোমালোক ঈশ্বৰৰ ঘৰ হোৱা। ১০ঈশ্বৰে মোক
দিয়া অনুগ্ৰহ অনুসৰি মই এগৰাকী নিপুন অভিজ্ঞ ঘৰ
সাজোতাৰ দৰে সেই ঘৰৰ ভিত্তিমূল স্হাপন কৰিলো।
কিন্তু আনবিলাকে সেই ভেটিৰ ওপৰত সাজিছে,গতিকে
প্ৰত্যেকেই সাৱধান হওক কেনেকৈ তেওঁলোকে তাৰ
ওপৰত সাজে। ১১যিহেতু যি ভিত্তিমূল সজা হৈছে স্বয়ং যীচু
খ্ৰীষ্ট, তাৰ বাহিৰে আন ভিত্তিমূল কোনেও স্থাপন কৰিবলৈ
নোৱাৰে। ১২এই ভিত্তিমূলৰ ওপৰত কোনোবাই সোণ,
ৰূপ, মূল্যবান ৰত্ন, কাঠ, খেৰ বা ঘাহঁ আদি ব্যৱহাৰ কৰি
সাজিব পাৰে ১৩কিন্তু প্ৰত্যেক মানুহৰ নিজস্ব কৰ্ম্ম স্পষ্টকৈ
প্ৰকাশ পাব।কাৰণে সেই বিচাৰৰ দিনা[a] তাক প্ৰকাশ কৰি
দিব, কিয়নো সেই দিন অগ্নিৰে সৈতে প্ৰকাশ হব, আৰু
সেই অগ্নিয়ে প্ৰত্যেক মানুহে কৰা কৰ্ম্ম কেনেকুৱা তাক
নিজেই পৰীক্ষা কৰি দেখুৱাব। ১৪ভিত্তিমূলত কৰা কোনো
মানুহৰ কৰ্ম যদি বৰ্তি থাকে, তেওঁ পুৰস্কাৰ পাব, ১৫কিন্তু
যদি কোনোজনৰ কৰ্ম্ম পুৰি যায় তেন্তে তেওঁ তাৰ বাবে
হানি ভোগ কৰিব লাগিব। তথাপি তেওঁলোক নিজে ৰক্ষা
পাব; কিন্তু তেওঁলোকৰ দশা জুইৰ মাজেদি পাৰ হৈ উদ্ধাৰ
পোৱা মানুহৰ নিচিনা হব।
১৬তোমালোক যে স্বয়ং ঈশ্বৰৰ মন্দিৰ, আৰু ঈশ্বৰৰ
আত্মা তোমালোকত নিবাস কৰে ইয়াক তোমালোকে
নাজানা নে? ১৭কোনোৱাই যদি ঈশ্বৰৰ মন্দিৰ নষ্ট কৰে,
ঈশ্বৰেও তেওঁক নষ্ট কৰিব, কিয়নো ঈশ্বৰৰ মন্দিৰ পবিত্ৰ
আৰু তোমালোক ঈশ্বৰৰ সেই মন্দিৰ।
১৮ঠগ-প্ৰবঞ্চনাৰ পৰা সাৱধান হোৱা। তোমালোকে
নিজকে নিজে নুভুলাবা,তোমালোকৰ মাজত কোনোৱাই
যদি এই জগতৰ অনুসাৰে নিজকে জ্ঞানী বুলি
ভাবিছে,তেন্তে তেওঁ মূৰ্খ হওক যাতে প্ৰকৃততে তেওঁ জ্ঞান
লাভ কৰিব পাৰে। ১৯কিয়নো ঈশ্বৰৰ দৃষ্টিত এই জগতৰ
বুদ্ধি-জ্ঞান সকলো মূৰ্খতা স্বৰূপ। যেনেকৈ শাস্ত্ৰত লিখা
আছে: “তেওঁ জ্ঞানীলোক বিলাকক তেওঁলোকৰ নিজৰ
চতুৰতাত ধৰে।” ২০আকৌ লিখা আছে, “জ্ঞানী বিলাকৰ
তৰ্ক-বিতৰ্কবোৰ যে অসাৰ তাক প্ৰভুৱে জানে।” ২১এই
হেতুকে, এই মৰ্ত্যৰ মানুহক লৈ কোনোৱে যেন গৰ্ব নকৰক,
কিয়নো সকলোবিলাক তোমালোকৰ; ২২পৌলৰ, বা
আপল্লোৰ,বা কৈফাৰেই হওক বা এই জগতৰ হওক জীৱন
নাইবা মৃত্যুৱেই হওক, বৰ্তমান বা ভৱিষ্যত হওক-এই
আটাইবিলাক তোমালোকৰ। ২৩তোমালোক খ্ৰীষ্টৰ আৰু
খ্ৰীষ্ট ঈশ্বৰৰ।

### খ্ৰীষ্টৰ পাঁচনিসকল

৪ ১মানুহে আমাক খ্ৰীষ্টৰ সেৱক, আৰু ঈশ্বৰৰ
নিগূঢ়তত্ত্বৰূপ সম্পত্তিৰ ভঁৰালী বুলি জানক।
২যিবিলাকক এই গুৰুত্বপূৰ্ন কৰ্ম অৰ্পন কৰা হৈছে সেই
ভঁৰালী সকলক যেন বিশ্বাসযোগ্য হয়। ৩কিন্তু মোৰ ক্ষেত্ৰত
হলে তোমালোকৰ দ্বাৰায়,বা কোনো মানুহৰ বিচাৰ সভাৰ
দ্বাৰায় মোৰ বিচাৰ হোৱাটো কোনো মূল্য নাই,কিয়নো ময়ো
নিজৰ বিচাৰত বিশ্বাস নকৰো। ৪যদিও মোৰ কিবা ভূলৰ
কথা মই নাজানো, তথাপি সেইয়ে মোক নিৰ্দোষী প্ৰতিপন্ন
নকৰে। প্ৰভুৱেই মোৰ বিচাৰকৰ্তা। ৫সেয়ে উপযুক্ত সময়ৰ
আগেয়ে এতিয়া কাৰো বিচাৰ নকৰিবা অৰ্থাৎ প্ৰভু নহালৈকে
অপেক্ষা কৰা। যিবিলাক এতিয়া আন্ধাৰত লুকাই আছে
তেওঁ সেই সকলোবোৰ পোহৰত প্ৰকাশ কৰিব; আৰু
তেতিয়া প্ৰতিজনেই নিজৰ পৰিচয় ঈশ্বৰৰ পৰা গ্ৰহন কৰিব।
৬প্ৰিয় ভাই ও ভনীসকল, তোমালোক যেন আমাৰ পৰা
শিকা আৰু এইবোৰ কথাৰ অৰ্থ বুজি পোৱা সেয়ে আপল্লো
আৰু মই তেমালোকৰ আৰ্হি হৈ এইবোৰ কথা কলো, “যাতে
তোমালোকে শাস্ত্ৰত যি লিখা আছে কেৱল সেইমতে চলা।”
যাতে তোমালোকে এজনৰ বিৰুদ্ধে আনজনৰ পক্ষপাত
লৈ গৰ্ব নকৰিবা। ৭তোমাক কোনে আনবিলাকতকৈ উত্তম
বুলি কৈছে? আৰু তোমাৰ যি আছে সেইবোৰ ঈশ্বৰৰ পৰা
দান হিচাপে পোৱা নাইনে? আৰু তোমাৰ যি আছে সেই
সকলোবোৰ দান হিচাপে পাইয়ো, নিজৰ শক্তিৰেহে সকলো
পোৱাৰ দৰে, কিয় আচৰণ কৰিছা?
৮তোমালোকে ভাবিছা, তোমালোকৰ যি যি প্ৰয়োজন
সেই সকলোকে তোমালোক এতিয়াই পালা। তোমালোকে
ভাবিছা তোমালোকৰ এতিয়া অজস্ৰ ধন সম্পত্তি হল; আৰু
আমাৰ বাহিৰে তোমালোক ৰজা হলা। অৱশ্যে সচাঁকৈয়ে
তোমালোক ৰজা হোৱা হলে কেনে ভাল আছিল! তেতিয়া
হয়তো আমিও তোমালোকৰ সৈত্যে ৰাজত্ব কৰিব
পাৰিলোহেঁতেন। ৯কিন্তু মোৰ বোধেৰে, পাচঁনিবিলাক যি
আমি,আমাক ঈশ্বৰে সকলোৰে শেষত ৰাখি, মৃত্যুদণ্ডলৈ

[a] **৩:১৩** ***বিচাৰৰ দিন*** সেই দিনা খ্ৰীষ্ট সকলো মানুহৰ বিচাৰৰ বাবে আহিব

নিৰুপন কৰা লোকৰ স্হানত ৰখাৰ দৰে কৰি দেখুৱালে,
কাৰণ আমি গোটেই জগতৰ সন্মুখত অৰ্থাৎ স্বৰ্গদূত আৰু
মানুহৰ সন্মুখত যেন দেখাৰ সামগ্ৰী হৈছো। ১০আমি খ্ৰীষ্টৰ
বাবে মূৰ্খ হৈছো, আৰু তোমালোক খ্ৰীষ্টত নিজকে জ্ঞানী
বুলি ভাবিছা, আমি দুৰ্ব্বল, কিন্তু তোমালোক নিজকে বলবান
বুলি ভাবিছা। তোমালোক সন্মানীয়, কিন্তু আমি অপমানিত।
১১আনকি এই মূহুৰ্ত্ত পৰ্য্যন্ত আমি ভোক আৰু পিয়াহত
কষ্ট পাইছো,দূৰ্ভগীয়াৰ দৰে আমাৰ জৰাজীৰ্ণ বস্ত্ৰ, আমাক
সঘনাই নিষ্ঠুৰ ভাবে কোবোৱা হৈছে, আমাৰ আশ্ৰয় লবলৈ
কোনো ঘৰ নাই। ১২আমাৰ পেটৰ কাৰণে আমি নিজ হাতে
কঠোৰ পৰিশ্ৰম কৰিছো।যেতিয়া মানুহে আমাক নিন্দা কৰে,
আমি তেওঁলোকক আৰ্শীবাদ কৰো, যেতিয়া তাড়না কৰে
তেতিয়া আমি তাক সহন কৰো। ১৩কোনোৱাই আমাক
অপবাদ দিলে তেওঁৰ লগত ভাল ব্যৱহাৰ কৰো।কিন্তু
তথাপিও এতিয়ালৈকে মানুহবিলাকে আমাক জগতৰ
আবৰ্জনা আৰু সকলোৰে পেলনীয়া মলস্বৰূপে ব্যৱহাৰ
কৰি আছে।

১৪তোমালোকক লাজ দিবৰ বাবে মই এইবোৰ কথা লিখা
নাই কিন্তু মোৰ প্ৰিয় সন্তান হিচাপে সাৱধান কৰিবৰ কাৰণে
লিখিছো। ১৫কিয়নো যদিও তোমালোকৰ খ্ৰীষ্টত দহ হাজাৰ
শিক্ষক থাকিব পাৰে, কিন্তু তোমালোকৰ পিতৃ অনেক নাই।
কাৰণ শুভবাৰ্তা প্ৰচাৰৰ দ্বাৰা মই তোমালোকৰ আত্মিক
পিতৃ হৈছো। ১৬সেয়ে মই তোমালোকক বিনয় কৰিছোঁ,
তোমালোকে মোৰ অনুকৰন কৰা। ১৭এই অভিপ্ৰায়ে
মই, প্ৰভুত মোৰ যি প্ৰিয় আৰু বিশ্বাসী পুত্ৰ, তীমথিয়ক
তোমালোকৰ ওচৰলৈ পঠালো। মই যি সকলো ঠাইত
সকলো মণ্ডলীত যি যি শিক্ষা দিওঁ,সেই অনুসাৰে খ্ৰীষ্টৰ
সম্বন্ধীয় মোৰ সকলো নিয়ম তেওঁ তোমালোকক সোঁৱৰাই
দিব।

১৮তোমালোকৰ মাজত কোনো কোনোবিলাকে মই
তোমালোকৰ ওচৰলৈ যেন নাহিম বুলি অহঙ্কাৰ কৰিছে।
১৯কিন্তু প্ৰভুৰ ইচ্ছা হলে অতি শীঘ্ৰেই মই তোমালোকৰ
ওচৰলৈ যাম আৰু এই দাম্ভিক লোকসমূহৰ কথা শুনাই
নহয়, তেওঁলোকৰ কিমান ক্ষমতা তাকো জানিম। ২০কিয়নো
ঈশ্বৰৰ ৰাজ্য কেৱল কথাৰে প্ৰকাশ নহয়, শক্তিতহে হয়।
২১তোমালোকে কি বিচৰা? তোমালোকক শাস্তি দিবলৈ মই
তোমালোকৰ ওচৰলৈ বেত লৈ আহিম নে, প্ৰেম আৰু শান্ত
মনোভাবে আহিম?

### মণ্ডলী শাসনৰ বিষয়

**৫** ১মই যি শুনিছো বিশ্বাস কৰিবলৈ কঠিন হৈছে যে
তোমালোকৰ মাজত ব্যভিচাৰ চলি আছে।এনে
জঘন্য ব্যাভিচাৰ আনকি অযিহুদীসকলৰ মাজতো দেখা
নাযায়;মানুহে কৈছে কোনোৱে তেওঁৰ পিতৃৰ ভাৰ্য্যাৰ লগত
অবৈধভাৱে বসবাস কৰি আছে। ২তথাপিও তোমালোকে
নিজকলৈ গৰ্ব কৰিছা।বৰং ইয়াৰ পৰিবৰ্তে তোমালোক
গভীৰ শোকত মৰ্মাহত হোৱা উচিত নাছিল নে? আৰু
এনে পাপকৰ্ম্ম কৰাজনক তোমালোকৰ সহভাগীতাৰ পৰা
বাহিৰ ওলাই দিয়া উচিত নাছিল নে। ৩শাৰীৰিক ভাবে মই
উপস্থিত নাথাকিলেও, আত্মাত মই তোমালোকৰ লগত
আছোঁ। এনেদৰে অন্যায় কৰ্ম্ম কৰাজনক, তোমালোকৰ
মাজত উপস্থিত থকাৰ দৰেই মই তেওঁৰ বিচাৰ ইতিমধ্যে
নিস্পত্তি কৰিলো। ৪প্ৰভু যীচুৰ নামত তোমালোক যেতিয়া
একগোট হবা। তেতিয়া সেই সভাত মইয়ো আত্মাত
উপস্থিত থাকিম, আৰু প্ৰভু যীচুৰ শক্তি তোমালোকৰ
মাজত বিৰাজ কৰিব। ৫তেতিয়া সেই মানুহক শাস্তিৰ বাবে
চয়তানৰ হাতত শোধাই দিবা যাতে তেওঁৰ পাপময় শৰীৰ
ধংস হয়; কিন্তু যাতে প্ৰভু যীচুৰ পুনৰ আগমনৰ দিনা তেওঁৰ
আত্মাই উদ্ধাৰ পায়।

৬তোমালোকে গৰ্ব কৰা শোভা নাপায়। তোমালোকে
এই কথা নাজানা নে যে, “অলপমান খমিৰে সনা ময়দাৰ
গোটেই লদাটোকে ফুলাই তোলে।” ৭নতুনকৈ সনা ময়দাৰ
লদাৰ দৰে হবলৈ তোমালোকৰ মাজৰ পৰা পুৰনি খমিৰ
উলিয়াই পেলোৱা। তোমালোকেও প্ৰকৃততে খমিৰবিহীন
পিঠাৰ দৰে, কিয়নো খ্ৰীষ্ট, আমাৰ নিস্তাৰৰ মেৰপোৱালি,
যিজন আমাৰ বাবে বলি হল। ৮সেয়ে আহাঁ, আমাৰ
নিস্তাৰপৰ্বৰ ভোজ পালন কৰো কিন্ত সেই পাপৰূপ পুৰনি
খমিৰৰে নহয়, যি খমিৰ হল পাপ আৰু অধৰ্ম; কিন্তু সেই
পিঠা গ্ৰহণ কৰো যাৰ মাজত খমিৰ নাই,অৰ্থাত অকপটতা
আৰু সত্যতাৰ পিঠা।

৯মোৰ চিঠিত মই তোমালোকক আগেয়ে লিখিছিলো যে,
তোমালোক যৌন পাপত লিপ্ত মানুহৰ লগত সৰ্ম্পক ৰখা
অনুচিত। ১০কিন্তু মই, এই জগতৰ যিবিলাক চৰিত্ৰহীন মানুহ,
লোভী, ঠগবাজ বা প্ৰতিমাপূজক, তেওঁলোকৰ কথা অৱশ্যে
কোৱা নাছিলো, কিয়নো তেনে হলে তোমালোক জগতৰ
বাহিৰলৈ গুচি যাব লাগিব। ১১কিন্তু এতিয়া তোমালোকলৈ
লিখিছো যে, যি কোনোৱে নিজকে খ্ৰীষ্টবিশ্বাসী বুলি পৰিচয়
দিয়ে, অথচ ব্যাভিচাৰী, লোভী, প্ৰতিমাপূজক, নিন্দক,
মদপী বা ঠগবাজ এনে মানুহৰ লগত সহভাগিতা নকৰিবা।
আনকি এনে মানুহৰ লগত খোৱা-বোৱাও নকৰিবা।

১২-১৩মণ্ডলীৰ বাহিৰৰ লোকসমূহৰ সোধবিচাৰ কৰিবলৈ
মোৰ কি প্ৰয়োজন? ঈশ্বৰে তেওঁলোকৰ বিচাৰ কৰিব, কিন্তু
মণ্ডলীৰ ভিতৰৰ লোকসমূহৰ বিচাৰ তোমালোকে নকৰা
নে? শাস্ত্ৰই কৈছে, “তোমালোকৰ মাজৰ পৰা দুষ্ট লোকক
উলিয়াই দিয়া।”[a]

### বিশ্বাসীসকলৰ মাজত বিচাৰৰ সমস্যা

**৬** ১তোমালোকৰ মাজত কোনোজনৰ যদি
আনজনৰ বিৰুদ্ধে কোনো অভিযোগ থাকে তেন্তে
তেওঁ ঈশ্বৰৰ পবিত্ৰ লোকসমূহৰ ওচৰলৈ নগৈ কোন
সাহসত আদালতৰ বিচাৰক অৰ্থাৎ অধাৰ্মিক সকলৰ
ওচৰলৈ যায়? ২তোমালোকে নাজানা নে যে, ঈশ্বৰৰ

[a] **৫:১৩** উদ্ধৃতি দ্বিতীয় বিৱৰণ ২২:২১–২৪

লোকসমূহে জগতৰো বিচাৰ কৰিব? তোমালোকৰ দ্বাৰাই যেতিয়া জগতৰ বিচাৰ কৰিব লাগিব, তেতিয়া হলে তোমালোকে এই সামান্য বিৰ্তকৰো বিচাৰ কৰিবলৈ যোগ্য নোহোৱানে? ৩তোমালোকে নাজানা নে যে আমি ভবিষ্যতে স্বৰ্গদূতসকলৰো বিচাৰ কৰিম? সেয়ে যদি হয় তেনেহলে এই জীৱনৰ সাধাৰন সমস্যাবিলাক আমি নিশ্চিতভাবে বিচাৰ কৰিবলৈ পাৰো। ৪গতিকে তোমালোকৰ বিচাৰ কৰিবলগীয়া বিষয়সমূহ, যিবিলাক মণ্ডলীৰ মানুহ নহয় তেনেলোকক বিচাৰ কৰিবলৈ কিয় নিযুক্তি দিছা? ৫তোমালোকক লাজ দিবৰ বাবেই মই এই কথা কৈছো: তোমালোকৰ মাজত সচাঁকৈয়ে এনে কোনো জ্ঞানী মানুহ নাইনে যি ভাই-ভাইৰ মাজত হোৱা বিবাদ মীমাংসা কৰি দিব পাৰে? ৬কিন্তু এজন খ্ৰীষ্টিয় ভাইয়ে আন ভায়েৰাৰ বিৰুদ্ধে আদালতত গৈছে, তাক আকৌ অবিশ্বাসীসকলেহে তেওঁলোকৰ বিচাৰ কৰিব!

৭বাস্তৱিকে তোমালোকে এজনে আনজনৰ বিৰুদ্ধে মোকৰ্দমা কৰি নিজে পৰাস্ত হোৱাৰ সাক্ষ্য দিছা। তাতকৈ তোমালোকক অন্যায় কৰিবলৈ দিয়া হলে কিমান ভাল আছিল। হানি সহন কৰা হলে কিমান ভাল হল হয়। ৮কিন্তু তাৰ পৰিৰ্বতে তোমালোক নিজেই অন্যায় আৰু হানি কৰিছা! আৰু তাকো খ্ৰীষ্টীয়ান ভাইবিলাকৰ প্ৰতি কৰিছা!

৯তোমালোকে নাজানা নেকি যে ঈশ্বৰৰ ৰাজ্যত অধাৰ্মিক লোকসমূহৰ কোনো স্থান নাই? নিজেও ঠগ নাখাবা! যিবিলাক যৌনপাপ কৰ্মত লিপ্ত, প্ৰতিমাপূজক, স্বামী বা ভাৰ্য্যাৰ প্ৰতি অবিশ্বাসী, সমকামী বা পুংমৌথুনি, ঈশ্বৰৰ ৰাজ্যত এওঁলোকৰ কোনো অধিকাৰ নাই। ১০আৰু সেই একেদৰে যিবিলাক চুৰ, লুভীয়া, মদপী,নিন্দা বা অপমান কৰোতা, ঠগ-প্ৰৱঞ্চক, তেওঁলোকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপাব। ১১আগেয়ে তোমালোকে কোনো কোনো এনে মানুহ আছিলা, কিন্তু এতিয়া তোমালোক প্ৰভু যীচু খ্ৰীষ্টৰ নামত আৰু ঈশ্বৰৰ আত্মাত ধৌত হৈ, পবিত্ৰকৃত কৰা হৈছা, আৰু তোমালোক ধাৰ্মিক প্ৰতিপন্ন হৈছা।

### নিজ শৰীৰ ঈশ্বৰৰ গৌৰবৰ বাবে ব্যৱহাৰ কৰা

১২“মোৰ বাবে সকলো কৰিবলৈ অধিকাৰ আছে,” কিন্তু সকলোবোৰ হিতজনক নহয়। হয়, “সকলোবোৰ মোৰ কাৰনে নীতিগত নহয়,” কিন্তু মই কাৰো নিয়ন্ত্ৰনত বা অধীনত থকা দাস নহয়। ১৩আহাৰ পেটৰ বাবে, আৰু পেট আহাৰৰ বাবে, কিন্তু ঈশ্বৰে এই দুয়োকে একেলগে লুপ্ত কৰিব। আমাৰ শৰীৰ যৌন-ব্যাভিচাৰ পাপৰ বাবে নহয়,কিন্তু প্ৰভুৰ কাৰণেহে আৰু প্ৰভুও এই শৰীৰৰ কাৰণেহে। ১৪ঈশ্বৰে যি শক্তিৰ দ্বাৰায় প্ৰভু যীচুক মৃত বিলাকৰ মাজৰ পৰা জীবিত কৰিলে,সেই একে শক্তিৰে তেওঁ আমাৰ শৰীৰকো মৃত্যুৰ পৰা তুলিব। ১৫তোমালোকে নাজানা নেকি যে তোমালোকৰ শৰীৰ খ্ৰীষ্টৰ অঙ্গ প্ৰত্যঙ্গ স্বৰূপ? তেন্তে কি তোমালোকে খ্ৰীষ্টৰ অঙ্গ প্ৰত্যঙ্গক লৈ বেশ্যাৰ শৰীৰৰ লগত সংযুক্ত কৰিবা? ১৬তোমালোকে জানা, যি বেশ্যাৰ লগত সম্বন্ধ হয় তেওঁ তেওঁৰ লগত এক দেহ হয়। কিয়নো শাস্ত্ৰই কৈছে, “তেওঁলোক দুয়ো এক দেহ হ'ব।”[a] ১৭কিন্তু যি জন প্ৰভুৰ লগত নিজকে সংযুক্ত কৰে, তেওঁ তেওঁৰে সৈত্যে আত্মাত এক হয়।

১৮যৌন পাপকৰ্মৰ পৰা দূৰত পলোৱা, কিয়নো মানুহে যি যি পাপকৰ্ম কৰে সেইবোৰ তেওঁৰ শৰীৰৰ বাহিৰত কৰে, কিন্তু যিজনে যৌনপাপকৰ্ম কৰে তেওঁ নিজৰ শৰীৰৰ বিৰুদ্ধে পাপ কৰে। ১৯তোমালোকে নাজানা নে, তোমালোকৰ শৰীৰ এটা মন্দিৰ, ঈশ্বৰে তোমালোকলৈ দান কৰা যি পবিত্ৰ আত্মা, তোমালোকত নিবাস কৰে? তোমালোক আৰু নিজৰ নোহোৱা। ২০কিয়নো ঈশ্বৰে তোমালোকক নিজৰ কৰিবলৈ মূল্য দি কিনি ললে; সেয়ে তোমালোকৰ শৰীৰত ঈশ্বৰক গৌৰৱান্বিত কৰা।

### বিবাহ সমন্ধীয় বিষয়

৭ ১তোমালোকে যি সকলো বিষয়ে লিখিছিলা তাৰ সম্বন্ধে এতিয়া আলোচনা কৰিম। সেয়া হল, পুৰুষৰ পক্ষে কোনো তিৰোতা মানুহৰ সৈত্যে যৌন-সম্পৰ্ক নকৰাকৈ থকা ভাল। ২কিন্তু ব্যাভিচাৰ পাপৰ বিপদ আছে, সেয়ে প্ৰত্যেক পুৰুষৰ নিজ ভাৰ্য্যা থাকা উচিত, আকৌ প্ৰত্যেক তিৰোতাসকলৰ নিজ স্বামী থাকা উচিত। ৩ভাৰ্য্যা হিচাপে তেওঁৰ যি যি বাসনা স্বামীয়ে যাতে অৱশ্যেই তেওঁক তাক দিয়ে; ঠিক তেনেকৈ স্বামীৰ সকলো বাসনাও যাতে ভাৰ্য্যাই পূৰ্ণ কৰে। ৪ভাৰ্য্যাৰ নিজ শৰীৰৰ ওপৰত দাবী কৰিব নোৱাৰে, কিন্তু তেওঁৰ স্বামীৰহে আছে। ঠিক সেই একেদৰে স্বামীৰো নিজৰ শৰীৰ ওপৰত দাবী নাই, কিন্তু তেওঁৰ ভাৰ্য্যাৰহে আছে। ৫সেয়ে তোমালোকে ইজনে সিজনক বঞ্চিত নকৰিবা, কেৱল প্ৰাৰ্থনাত নিজকে সমৰ্পন কৰিবলৈ একেলগে আলোচনা কৰি অলপ সময়ৰ বাবে পৃথকে থাকিব পাৰা, পাছত পুনৰ একেলগে মিলিত হবা যাতে তোমালোকৰ সংযমৰ দুৰ্বলতাৰ বাবে চয়তানে তোমালোকক পৰীক্ষাত পেলাব নোৱাৰে। ৬মই পৃথকে থাকিবলৈ নিয়মৰ আদেশ দিয়া নাই, কিন্তু অনুমতি মাথোন দিছোঁ। ৭মোৰ ইচ্ছা সকলো মানুহ যাতে মোৰ নিচিনা হলহেঁতেন, কিন্তু প্ৰত্যেকেই ঈশ্বৰৰ ওচৰৰ পৰা ভিন্ন ভিন্ন বৰদান পাইছে, এজনে এক প্ৰকাৰে, আকৌ আনজনে আনপ্ৰকাৰে।

৮অবিবাহিত আৰু বিধৱাসকলৰ বিষয়ে মোৰ বক্তব্য, “তেওঁলোকে যদি মোৰ নিচিনা অবিবাহিত হৈ থাকিব পাৰে তেওঁলোকৰ পক্ষে সেয়ে মঙ্গল। ৯কিন্তু যদি তেওঁলোকে নিজৰ নিজৰ শৰীৰ সংযম কৰিব নোৱাৰে, তেন্তে বিয়া কৰক, কিয়নো যৌনকামনাৰ জুইত জ্বলি পুৰি মৰাতকৈ বিয়া কৰা অনেক ভাল।”

১০এতিয়া মই বিবাহিত লোকবিলাকক এই আজ্ঞা দিছোঁ।

[a] **৬:১৬** উদ্ধৃতি আদিপুস্তক ২:২৪

প্ৰকৃততে মই নহয়, এই আজ্ঞা প্ৰভুৰ — কোনো ভাৰ্য্যাই
যাতে তেওঁৰ স্বামীক পৰিত্যাগ নকৰে। ১১যদি তেওঁ স্বামীক
এৰি যায় তেন্তে তেওঁ অকলে থকা উচিত যাতে তেওঁৰ
স্বামীৰ লগত পুনৰ মিলন হয়। স্বামীয়েও ভাৰ্য্যাক পৰিত্যাগ
কৰা উচিত নহয়।
১২এতিয়া মই আন সকলো লোকসমূহক কওঁ, মই
কওঁ, প্ৰভুৱে নহয়। যদি কোনো খ্ৰীষ্টীয় ভাইৰ অবিশ্বাসী
ভাৰ্য্যা থাকে আৰু সেই ভাৰ্য্যা তেওঁৰ লগত থাকিবলৈ সুখী,
তেন্তে সেই স্বামীয়ে তেওঁক পৰিত্যাগ নকৰক। ১৩আকৌ
যদি কোনো খ্ৰীষ্টীয় বিশ্বাসী তিৰোতাসকলৰ অবিশ্বাসী স্বামী
থাকে আৰু সেই স্বামী তেওঁৰ লগত থাকিবলৈ সন্মত তেন্তে
সেই ভাৰ্য্যাই তেওঁৰ স্বামীক ত্যাগ নকৰক। ১৪কিয়নো
বিশ্বাসী ভাৰ্য্যাৰ দ্বাৰায় সেই অবিশ্বাসী স্বামী আৰু বিশ্বাসী
স্বামীৰ দ্বাৰায় সেই অবিশ্বাসী ভাৰ্য্যা পবিত্ৰকৃত হল। অন্যথা
তোমালোকৰ পুত্ৰ কন্যা অশুচি হলহেতেন, কিন্তু এতিয়া
সিঁহত পবিত্ৰ।
১৫যি কি নহওক তথাপিও যদি বিশ্বাস নকৰা স্বামী বা
ভাৰ্য্যাই এৰি যাব বিচাৰে তেন্তে তেওঁক যাবলৈ দিয়া। এই
পৰিস্থিতিত ভাই-ভনীসকল বাধ্যতামূলক বন্ধনৰ অধীন
নহয়। কিন্তু ঈশ্বৰে আমাক শান্তিময় জীৱনযাপনৰ কাৰণে
আহ্বান কৰিলে। ১৬হে ভাৰ্য্যা, তুমি হয়তো তোমাৰ স্বামীৰ
উদ্ধাৰ কৰাব পাৰিবা নে নোৱাৰা আৰু হে স্বামী তুমি হয়তো
তোমাৰ ভাৰ্য্যাৰ উদ্ধাৰ কৰাব পাৰিবা নে নোৱাৰা তাক
এতিয়া নাজানা ভৱিষ্যতে বা কি হয়।

### ঈশ্বৰৰ আহ্বান অনুসৰি জীৱনযাপন কৰা

১৭প্ৰভুৱে যাক যি পৰিমানে দায়িত্ব দিছে, আৰু যাক যেনে
অৱস্হাত ঈশ্বৰে আহ্বান কৰিলে, তেওঁ সেই উদ্দেশ্যে
জীৱনযাপন কৰক। এই নিৰ্দ্দেশ মই সকলো মণ্ডলীলৈকে
দিছোঁ। ১৮কোনোবা যদি চুন্নত্ হোৱা অৱস্থাত আমন্ত্ৰিত
হৈছে, তেওঁ যেন চুন্নত্ হোৱাতে থাকক। কোনোবাই যদি
অচুন্নত্ অবস্থাত আমন্ত্ৰিত হৈছে, তেওঁৰ চুন্নত্ হোৱাৰ
প্ৰয়োজন নাই। ১৯চুন্নত্ হওক বা অচুন্নতেই হওক, সেইটো
গুৰুত্বপূৰ্ণ নহয়, কিন্তু ঈশ্বৰৰ আজ্ঞা পালন কৰাই হল
গুৰুত্বপূৰ্ণ বিষয়। ২০ঈশ্বৰে যাক যেনে অবস্থাত আমন্ত্ৰন
কৰিলে, তেওঁ সেই অৱস্থাতেই থাকক। ২১ঈশ্বৰে তোমাক
আহ্বান কৰা সময়ত, তুমি যদি দাস আছিলা, তেন্তে তাৰ
বাবে একো চিন্তা নকৰিবা ; কিন্তু তুমি যদি মুক্তি হব পাৰা,
তেন্তে তাৰ সুযোগ গ্ৰহণ কৰা। ২২প্ৰভুৱে যি জনক দাস
অবস্থাত আহ্বান কৰিলে, তেওঁ এতিয়া প্ৰভুত স্বাধীন মানুহ।
যি জনে স্বাধীন অবস্থাত প্ৰভুৰ মাত শুনিলে,এতিয়া তেওঁ
খ্ৰীষ্টৰ দাসত পৰিণত হৈছে। ২৩তোমালোকক মূল্য দি
কিনা হৈছে,গতিকে তোমালোক কোনো মানুহৰ দাসত্ব
নহবা। ২৪প্ৰিয় ভাই আৰু ভনীসকল, ঈশ্বৰৰ পৰা পোৱা
তোমালোকৰ এই নতুন জীৱনত প্ৰতিজনক ঈশ্বৰে যেনে
অবস্থাত আমন্ত্ৰন কৰিলে সেই অবস্থাতেই ঈশ্বৰৰ সৈতে
চলি থাকা।

### বিবাহ বিষয়ে প্ৰশ্ন

২৫এতিয়া কুমাৰী কন্যাসকলৰ প্ৰসঙ্গত আহিছো।
তেওঁলোকৰ সম্বন্ধে প্ৰভুৰ ওচৰৰ পৰা মই কোনো আজ্ঞা
পোৱা নাই যদিও, এই বিষয়ে মোৰ নিজস্ব মতামত প্ৰকাশ
কৰিছোঁ। কাৰন বিশ্বাসী হবলৈ প্ৰভুৱে মোক দয়া কৰিলে।
২৬সেয়ে মই ভাবো, অনাগত সঙ্কটময় সময়ৰ নিমিত্তে
কোনো ব্যক্তিৰ পক্ষে তেওঁ যেনেকৈ আছে তেনেকৈ
থকাই উত্তম। ২৭তোমাৰ যদি কোনো বিবাহিত ভাৰ্য্যা
আছে, তেওঁক ত্যাগ কৰিবলৈ চেষ্টা নকৰিবা। আৰু যদি
কোনোৱা অবিবাহিত অৱস্থাত আছে তেন্তে ভাৰ্য্যা পাবলৈ
চেষ্টা নকৰিবা। ২৮কিন্তু তুমি বিবাহ কৰিলেও তোমাৰ কোনো
পাপ নহয়; আৰু কোনো কুমাৰী যদি বিবাহ হয় তেন্তে
তেওঁৰো একো পাপ নহয়। কিন্তু এনে লোকসমূহ জীৱনৰ
কঠিন সমস্যাৰ সন্মুখীন হব লাগিব। এই কষ্টৰ পৰা সাৰিবলৈ
মই তোমালোকক সহায় কৰিব বিচাৰো।
২৯প্ৰিয় ভাই আৰু ভনীসকল, মই যি কথা কবলৈ ইচ্ছা
কৰিছো,আচলতে আমাৰ হাতত সময় নিচেই কম, সেয়ে
যিবিলাকৰ ভাৰ্য্যা আছে প্ৰভুৰ সেৱাৰ বাবে এতিয়া পৰা
তেওঁলোকে এনেকৈ চলক যেন তেওঁলোকৰ ভাৰ্য্যা নাই;
৩০আৰু যিবিলাকে দুঃখ কৰিছে, তেওঁলোকে এনেকৈ চলক
যাতে দুঃখ কৰা নাই, যিবিলাকে আনন্দিত তেওঁলোকে
এনেকৈ চলক যাতে আনন্দ কৰা নাই। যিবিলাকে কিনাবেচা
কৰিছে, তেওঁলোকে এনেকৈ কৰক যাতে যি কিনিছে সেয়া
তেওঁলোকৰ নিজৰ নহয়। ৩১যিবিলাকে জগতৰ বিষয়
বস্তু ব্যৱহাৰ কৰে, তেওঁলোকে যাতে তাত আসক্ত নহয়,
কিয়নো এই জগতৰ বৰ্তমান অৱস্থা অতীত হবলৈ হৈছে।
৩২তোমালোক যাতে এই সকলো চিন্তাৰ পৰা মুক্ত হোৱা,
ইয়াকে মই বিচাৰো। এগৰাকী অবিবাহিত মানুহ প্ৰভুৰ
কৰ্ম্মৰ বিষয়ে অধিক চিন্তা কৰিবলৈ পাৰে, কেনেকৈ তেওঁ
প্ৰভুক সন্তুষ্ট কৰিব সেইটোৱেই তেওঁৰ চিন্তা হয়। ৩৩কিন্তু
যি বিবাহিত তেওঁ এই জগতৰ বিষয়ে চিন্তা কৰে, কেনেকৈ
তেওঁ তেওঁৰ ভাৰ্য্যাক সন্তুষ্ট কৰিব, সেইয়ে হয় তেওঁৰ
চিন্তা। ৩৪তেওঁ প্ৰভুক সন্তুষ্ট কৰিবলৈ বিচাৰে আকৌ তাৰ
লগত তেওঁৰ ভাৰ্য্যাক আনন্দিত কৰিবলৈ বিচাৰে, এইদৰে
দুয়ো ফালে তেওঁৰ চিন্তা হয়। এগৰাকী অবিবাহিতা বা
কুমাৰী কন্যা, সম্পূৰ্নভাবে তেওঁৰ শৰীৰ আৰু আত্মাত প্ৰভুৰ
বিষয়ে চিন্তা কৰিব পাৰে। কিন্তু বিবাহিতা তিৰোতা সংসাৰৰ
বিষয়ে চিন্তিত, আৰু তেওঁ তেওঁৰ স্বামীক কেনেকৈ সন্তুষ্ট
কৰিব তাৰ চিন্তা থাকে। ৩৫মই তোমালোকৰ ওপৰত
কোনো বিধান জাপি দি বাধ্য কৰোৱাবৰ বাবে নহয়, কিন্তু
তোমালোক যাতে ঠিক বাটে যোৱা আৰু যাতে তোমালোক
কোনো বিষয়ে ব্যাঘাত নোপোৱাকৈ সম্পূৰ্ণৰূপে প্ৰভুৰ
উদ্দেশ্য নিজক উৎসৰ্গ কৰি তেওঁৰ সেৱা কৰা তাৰ কাৰণে
তোমালোকৰ হিতৰ অৰ্থে এই কথা কৈছো।
৩৬কৰোবাৰ মনত যদি ভাৱ হৈছে যে তেওঁ তেওঁৰ
কুমাৰী বাগদত্তাৰ প্ৰতি অশিষ্টাচৰণ কৰিছে বুলি, তেওঁৰ
অপেক্ষাত বিবাহৰ বয়স পাৰ হৈ গৈছে, তেন্তে তেওঁ যিহক

উচিত বুলি বিবেচনা কৰিছে সেয়ে কৰক। তেওঁলোকৰ
বিবাহ হোৱাত পাপ নহয়। ৩৭কিন্তু যি নিজৰ সিদ্ধান্তত অটল,
বিবাহ হোৱাৰ প্ৰয়োজন বোধ নকৰি, তেওঁৰ ইচ্ছা নিয়ন্ত্ৰণ
ৰাখিব পাৰে আৰু তেওঁৰ মনত ঠিক কৰে যে তেওঁ তেওঁৰ
বাগদত্তাক বিবাহ নকৰি নিজকে ৰক্ষা কৰিবলৈ সক্ষম,
তেন্তে তেওঁ ভাল কৰ্ম কৰিব। ৩৮সেয়ে তেওঁৰ বাগদত্তা
বন্ধুক বিবাহ কৰে তেওঁ ঠিক কৰ্ম্ম কৰে; আৰু যি জনে বিবাহ
নকৰে তেওঁ তাতোতকৈ অধিক ভাল কৰ্ম্ম কৰে।
৩৯স্বামী যিমান দিন জীৱিত থাকে ভাৰ্য্যা সিমান দিন
বিবাহবন্ধনত আবদ্ধ থাকে, কিন্তু স্বামীৰ মৃত্যুৰ পিচত তেওঁ
মুক্ত, তেওঁ তেতিয়া ইচ্ছা কৰা জনক পুনৰ বিবাহ কৰিব
পাৰে, কিন্তু সেই লোক যেন প্ৰভুৰ মানুহ হয়। ৪০কিন্তু মোৰ
মতে তেওঁ যদি আৰু পুনৰ বিবাহ নোহোৱাকৈ থাকে অধিক
সুখী হব। মই তেনে বিশ্বাস কৰো কাৰন মোৰো ঈশ্বৰৰ
আত্মা আছে।

## প্ৰতিমাৰ প্ৰসাদ সম্বন্ধে

৮ ১এতিয়া মই প্ৰতিমাৰ আগত উৎসৰ্গ কৰা আহাৰ
খোৱাৰ বিষয়ে কওঁ: এইটো প্ৰকৃততে সঁচা যে,এই
বিষয়ে “আমাৰ সকলোৰে জ্ঞান আছে” বুলি তোমালোকে
কোৱা।কিন্তু এই “জ্ঞানে” মানুহক অহঙ্কাৰেৰে পূৰ্ন কৰে
;প্ৰেমেহে মণ্ডলীক বৃদ্ধি হোৱাত সহায় কৰে। ২যদি
কোনোৱে কিছু জানো বুলি ভাবে, তেওঁৰ যি জানা উচিত
আছিল এতিয়াও তেওঁ তাক নাজানে। ৩কিন্তু যি জনে
ঈশ্বৰক প্ৰেম কৰে, কেৱল সেইজনেই ঈশ্বৰক জনা লোক।
৪মূৰ্তিলৈ উৎসৰ্গ কৰা আহাৰৰ বিষয়ে কওঁ, আমি জানো
যে এই জগতত মূৰ্তি প্ৰকৃততে একো নহয়, কিন্তু ঈশ্বৰ মাত্ৰ
এজনাই। ৫স্বৰ্গ হওক বা পৃথিৱী হওক, মানুহে যিবিলাকক
দেৱতা বোলে সেইদৰে যেনেকৈ বহুত ঈশ্বৰ নামধাৰী
“দেৱতাবিলাক” আৰু অনেক “প্ৰভুবিলাক” থাকিলেও
৬কিন্তু আমাৰ বাবে ঈশ্বৰ মাত্ৰ এজনাহে ; তেওঁ আমাৰ
পিতৃ, তেওঁৰ পৰাই সকলো সৃষ্টি হৈছে, আৰু আমি তেওঁৰ
কাৰণেই জীৱিত আছোঁ। আৰু একমাত্ৰ প্ৰভু, যি জন যীচু
খ্ৰীষ্ট, তেওঁৰ দ্বাৰায় সকলো সৃষ্টি হল, তেওঁৰ দ্বাৰায় আমি
আটায়ে জীৱন পাইছো।
৭কিন্তু সকলোৱে এই জ্ঞানৰ সম্পৰ্কে জ্ঞাত নহয়।
কিছুমান মানুহৰ এতিয়াও পূৰ্বৰ দেৱতা মনা ৰীতি-নীতিৰ
সংস্পৰ্শত থকাৰ কাৰনে প্ৰতিমাৰ ওচৰত উৎসৰ্গ কৰা বস্তু
প্ৰসাদস্বৰূপে খায়, আৰু তেওঁলোকৰ বিবেক দুৰ্বল হোৱাত
দোষী প্ৰতিপন্ন হয়। ৮কিন্তু খোৱা বস্তুৱে আমাক ঈশ্বৰৰ
ওচৰত গ্ৰহনযোগ্য কৰাব নোৱাৰে। সেই সকলো বস্তু
খাবলৈ আমি অস্বীকাৰ কৰিলেও আমাৰ কোনো ক্ষতি নহয়,
আৰু যদি খাওঁ তেন্তে কোনো লাভো নহয়।
৯তথাপি কিন্তু সাৱধান, তোমালোকৰ এই স্বাধীনতাৰ
কাৰণে যাতে দুৰ্বল লোকসমূহে সন্দেহেৰে খাই পাপত
যেন নপৰে। ১০তুমি জানা যে প্ৰতিমা একো নহয়। কিন্তু
জ্ঞান থকা যি তুমি,তোমাক যদি কোনোৱাই দেৱালয়ত
খাবলৈ বহা দেখে তেন্তে তেওঁ দুৰ্বল চিত্তৰ মানুহ হোৱা
হেতুকে তেওঁৰ বিবেকে দেৱতাৰ প্ৰসাদ খাবলৈ তেওঁক
সাহ নোযোগাব নে? যদিও তেওঁলোকে প্ৰকৃততে এইটো
ভূল হয় বুলি বিশ্বাস কৰে। ১১গতিকে তোমাৰ এই জ্ঞানৰ
দ্বাৰা সেই দুৰ্বল মনৰ ভাই বা ভনী, যাৰ নিমিত্তে খ্ৰীষ্ট মৰিল,
তেওঁ বিনষ্ট হয়। ১২এইদৰে তুমি তোমাৰ খ্ৰীষ্টত থকা ভাই-
ভনীসকলৰ বিৰুদ্ধে পাপ কৰা আৰু তেওঁলোকৰ দুৰ্বল
বিবেকত আঘাত কৰি ভূল কৰোৱাৰ কাৰণে তোমালোকেও
খ্ৰীষ্টৰ বিৰুদ্ধে পাপ কৰা। ১৩গতিকে মই খোৱা কোনো
আহাৰৰ কাৰণে যদি মোৰ ভাই বা ভনী পাপত পৰে,
তেনেহলে মই আৰু কেতিয়াও মাংস নাখাওঁ। মই মাংস
খোৱা এৰি দিম যাতে মই মোৰ ভাই বা ভনীৰ পাপৰ কাৰণ
নহওঁ।

## পৌলও অন্য পাঁচনি সকলৰ দৰে

৯ ১মই কি স্বাধীন মানুহ নহও? মই কি এগৰাকী
পাঁচনি নহও? আমাৰ প্ৰভু যীচুক কি মই দেখা
নাই? তোমালোকেই কি প্ৰভুত মোৰ কৰ্ম্ম নোহোৱা?
২আনবিলাকে মোক যদিও পাঁচনি বুলি গ্ৰহণ নকৰে,
তথাপিও তোমালোকে নিশ্চয়ে মোক পাঁচনি বুলি মানি
লৈছা। কিয়নো প্ৰভুত মোৰ পাঁচনি বাবৰ তোমালোকেই
মোৰ মোহৰস্বৰূপ সাক্ষ্য।
৩কিছুমান মানুহে যিবিলাকে মোৰ দোষগুণ বিচাৰ
কৰে, তেওঁলোকৰ ওচৰত এয়াই মোৰ উত্তৰ ; ৪আমাৰ
কি ভোজন পান কৰিবলৈ অধিকাৰ নাই? ৫যেনেকৈ
অন্য পাঁচনিসকলে, প্ৰভুৰ ভাইবিলাক আৰু পিতৰৰ দৰে
আমাৰ কোনো বিশ্বাসী ভাৰ্য্যাক লগত লৈ ফুৰিবৰ আমাৰ
কি অধিকাৰ নাই? ৬বাৰ্ণবা আৰু ময়েই কেৱল জীৱিকা
নিৰ্বাহৰ বাবে কৰ্ম্ম কৰিবলৈ লাগিব নে? ৭কোন চিপাহিয়ে
সৈন্যদলত থাকি তেওঁৰ নিজৰ বেতন নিজে দিয়ে? কোনে
যি দ্ৰাক্ষাবাৰী পাতি তাৰ ফল নোখোৱাকৈ থাকে? অলপো
মেৰৰ গাখীৰ পান নকৰাকৈ কোন মেৰৰখীয়াই মেৰৰ জাক
প্ৰতিপালন কৰে?
৮মই এইবোৰ মানুহৰ বিচাৰ বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি
কোৱা নাই। ঈশ্বৰৰ বিধান-ব্যৱস্থা কি সেই একেদৰে কথা
কোৱা নাই? ৯কিয়নো মোচিৰ বিধানত লিখা আছে, “মৰনা
মাৰোঁতে গৰুৰ মূখত মোখোৰা নাবান্ধিবা।”[a] ঈশ্বৰে কি
কেৱল পশুৰ পৰিশ্ৰমৰ কথা চিন্তা কৰি এই কথা কৈছিল নে?
১০নহয়,প্ৰকৃততে তেওঁ আমাৰ কথা চিন্তা কৰিহে এইবোৰ
কথা কৈছিল, শাস্ত্ৰত আমাৰ কাৰণেহে এইবোৰ লিখা হৈছে,
কিয়নো যিজনে খেতি কৰে, তেওঁৰ কৰ্মৰ বিনিময়ত কিছু
শষ্যৰ ফল পাবৰ আশাৰেহে তাক কৰে; আৰু যিজনে
শস্য মৰনা মাৰে, শস্যৰ পৰা কিছুমান পোৱাৰ আশাৰেহে
মৰনা মাৰে। ১১আমি তোমালোকৰ মাজত আত্মিক কঠীয়া
সিচিলো, যাতে এতিয়া ফল হিচাপে যদি তোমালোকৰ

[a] **৯:৯** উদ্ধৃতি দ্বিতীয় বিৱৰণ ২৫:৪

ওচৰৰ পৰা কোনো পাৰ্থিৱ বস্তু পোৱা হৈছে, তেন্তে কি খুব
বেচি খোজা হল নে? ১২এই বিষয়ে তোমালোকৰ ওচৰৰ
পৰা আনেও যেতিয়া দাবী কৰে, তেতিয়া তাক পাবলৈ
আমাৰ নিশ্চয়কৈ আৰু অধিক অধিকাৰ আছে। কিন্তু আমি
তোমালোকৰ ওপৰত এই অধিকাৰ প্ৰয়োগ কৰা নাই।
আমি সকলো সহন কৰিছোঁ, যাতে খ্ৰীষ্টৰ শুভবাৰ্তা গ্ৰহণৰ
বাটত কোনো বাধাৰ সৃষ্টি নহয়। ১৩তোমালোকে নিশ্চয়ে
জানা, যিবিলাকে মন্দিৰত পৰিচৰ্য্যা কৰে, তেওঁলোকে
মন্দিৰৰ পৰাই তেওঁলোকৰ আহাৰ খাবলৈ পায়। যিবিলাকে
যজ্ঞবেদীৰ নিয়মিত পৰিচৰ্য্যা কৰে, তেওঁলোকে উৎসৰ্গীত
নৈবেদ্যৰ ভাগ পায়। ১৪সেই একেদৰে, শুভবাৰ্তা প্ৰচাৰ
কৰা সকলৰ নিমিত্তেও প্ৰভুৱে এই আজ্ঞা দিলে, যাতে
শুভবাৰ্তা প্ৰচাৰৰ দ্বাৰায়েই তেওঁলোকৰ জীবিকা নিৰ্বাহ হয়।

১৫কিন্তু মই এই অধিকাৰ কেতিয়াও প্ৰয়োগ কৰা নাই
আৰু মই তোমালোকৰ পৰা তেনেদৰে সহায় পোৱাৰ
চেষ্টা কৰাও নাই, বা মই লিখাৰ উদ্দেশ্য সেইটোও নহয়।
আচলতে,মোৰ যি গৰ্ব এই মহৎ বিষয়ত আছে, তাক যদি
কোনোবাই কাঢ়ি লয় আৰু মোক তাৰ পৰা বঞ্চিত কৰে
তেন্তে তাৰ সলনি মোৰ মৰনেই ভাল। ১৬কাৰন মই
শুভবাৰ্তা প্ৰচাৰ কৰি গৰ্ব কৰিব নোৱাৰো। শুভবাৰ্তা প্ৰচাৰ
কৰা মোৰ কৰ্তব্য, নিশ্চয়ে কৰিবলগীয়া কৰ্ম্মৰ ভাৰহে মোৰ
ওপৰত দিয়া হৈছে।কাৰন যদি মই শুভবাৰ্তা প্ৰচাৰ নকৰো
তেন্তে মোৰ সন্তাপ হব! ১৭যদি নিজ ইচ্ছাৰে শুভবাৰ্তা প্ৰচাৰ
কৰিলোহেতেন মই পুৰস্কাৰ পাবৰ যোগ্য হলোহেঁতেন।
কিন্তু যেতিয়া দায়িত্ব হিচাপে এই কৰ্ম্ম মোৰ ওপৰত ন্যস্ত
কৰা হৈছে, ১৮তাতে মই কি পুৰস্কাৰ পাম? তেনেহলে
মোৰ পুৰস্কাৰ কি; যেতিয়া মই শুভবাৰ্তা প্ৰচাৰ কৰো, তাক
বিনামূল্যে কৰো। এইদৰে শুভবাৰ্তা প্ৰচাৰ কৰা বাবে মোৰ
বেতন পাবলৈ যি অধিকাৰ আছে, তাক মই ব্যৱহাৰ নকৰো।

১৯মই স্বাধীন! কাৰো অধীন নহয়, তথাপি মই সকলোৰে
দাস হলো, যাতে আৰু অধিক লোক মই খ্ৰীষ্টৰ বাবে লাভ
কৰিবলৈ পাৰো। ২০যিহুদীসকলক পাবলৈ মই যিহুদীৰ
ওচৰত যিহুদীবিলাকৰ নিচিনা হলো। মই নিজে বিধানৰ
অধীন নহলেও যিবিলাক বিধানৰ অধীন, তেওঁলোকক লাভ
কৰিবলৈ মই বিধানৰ অধীনত থকাবিলাকৰ দৰে হলো।
২১আকৌ যিবিলাক বিধানৰ অধীন নহয় তেওঁলোকক জয়
কৰিবলৈ মই বিধানহীন বিলাকৰ নিচিনা হলো (যদিও মই
ঈশ্বৰৰ বিধানৰ পৰা মুক্ত নহয়, কিন্তু প্ৰকৃততে মই হলে
খ্ৰীষ্টৰ বিধানৰ অধীনে জীৱনযাপন কৰিছোঁ। ২২যিবিলাক
দুৰ্বল, তেওঁলোকৰ ওচৰত মই দুৰ্বল হলো, যাতে
তেওঁলোকক জয় কৰিবলৈ পাৰো। মই সকলোৰে ওচৰত
সকলোৰ দৰেই হলো, যাতে সম্ভাব্য যি কোনো উপায়ে
হলেও অন্তত. কিছুমানক পৰিত্ৰানৰ পাত্ৰ কৰাব পাৰো।
২৩মই এই সকলোবোৰ শুভবাৰ্তাৰ নিমিত্তে কৰো, যাতে
মই এই আৰ্শীবাদৰ সহভাগী হব পাৰো।

২৪তোমালোকে নিশ্চয়ে জানা যে, দৌৰৰ প্ৰতিযোগিতাত
সকলোৱেই ভাগ লয়; কিন্তু কেৱল এজনেহে বিজয়ী হৈ
পুৰস্কাৰ পায়। সেয়ে এনেকৈ দৌৰ মাৰা যাতে, পুৰস্কাৰ
পোৱা! ২৫আকৌ দেখা, যি সকল প্ৰতিযোগীয়ে খেলত
অংশগ্ৰহণ কৰে, তেওঁলোকে প্ৰতিজনেই কঠোৰ নিয়ম
পালন কৰি প্ৰশিক্ষন লয়। তেওঁলোকে অস্থায়ী বিজয় কিৰিটি
পাবৰ বাবে তাক কৰে; কিন্তু আমি অবিনাশী কিৰীটিৰে
ভূষিত হোৱাৰ বাবে কৰো। ২৬সেয়ে মই লক্ষ্যৰ উদ্দেশ্যহে
দৌৰিছো।যি জনে শূন্যত ঘুচিয়া-ঘুচি কৰে, এনে মানুহৰ
দৰে মই যুদ্ধ নকৰো। ২৭কিন্তু তাৰ পৰিবৰ্তে মই মোৰ
শৰীৰক কঠোৰ সংযমৰ অধীনত বশ কৰি ৰাখো, যাতে
আন লোকসমূহৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰাৰ পাছত
মই নিজে যেন কোনোমতেই ঈশ্বৰৰ দৃষ্টিত অযোগ্য বুলি
বিবেচিত নহওঁ।

## যিহুদী নিচিনা নহবা

**১০** ১প্ৰিয় ভাই আৰু ভনীসকল, মই তোমালোকে
এই কথা নজনাকৈ থকাটো নিবিচাৰো যে আমাৰ
আটাই পূৰ্ব্বপুৰুষসকলে যেতিয়া মোচিক অনুসৰন কৰিছিল
তেতিয়া তেওঁলোকৰ কি হৈছিল। তেওঁলোক সকলোৱে
মেঘৰ তলত আছিল, সকলোৱেই সাগৰৰ মাজেদি পাৰ
হৈছিল। ২তেওঁলোকে সকলোৱেই মেঘ আৰু সাগৰতেই
মোচিলৈ বাপ্তাইজিত হৈছিল। ৩তেওঁলোক সকলোৱে
একেই আত্মিক আহাৰ ভোজন কৰিছিল; ৪একেদৰে
আত্মিক জল পান কৰিছিল। তেওঁলোকে সেই আত্মিক
শিলৰ পৰা জল পান কৰিছিল যি তেওঁলোকৰ সঙ্গে সঙ্গে
গৈছিল, আৰু সেই শিলেই হৈছে খ্ৰীষ্ট। ৫কিন্তু তেওঁলোকৰ
মাজৰ অধিক ভাগ মানুহৰ ওপৰত ঈশ্বৰ সন্তুষ্ট নাছিল,
সেয়ে তেওঁলোকক অৰন্যৰ মাজতেই নিপাত কৰা হল।

৬এইবোৰ ঘটনা আমাৰ বাবে এক উদাহৰণ স্বৰূপে
ঘটিল, যাতে তেওঁলোকে যেনেকৈ মন্দ বিষয়ৰ অভিলাষ
কৰিলে আমিও যেন তেনে মন্দ বিষয়ৰ কামনা নকৰো।
৭দেৱপূজক নহবা, যেনেকৈ তেওঁলোকৰ মাজত কিছুমানে
মূৰ্তিপূজা কৰিছিল। কিয়নো শাস্ত্ৰত যেনেকৈ লিখা
আছে: "মানুহবিলাকে ভোজন পান কৰিবলৈ বহিল আৰু
উঠি ৰং-ধেমালি কৰি নাচিবলৈ আৰম্ভ কৰিলে।" ৮আৰু
তেওঁলোকৰ মাজত যেনেকৈ কিছুমান মানুহ যৌন-
ব্যাভিচাৰ পাপত পৰি একেদিনাই তেইশ হাজাৰ মানুহ
সেই পাপৰ বাবে মৰা পৰিছিল, আমি যাতে তেনেকৈ
ব্যাভিচাৰ পাপ নকৰো। ৯আমি যাতে তেনেকৈ খ্ৰীষ্টৰ[a]
পৰীক্ষা নকৰোঁহক। তেওঁলোকৰ মাজত যেনেকৈ কিছুমান
মানুহ প্ৰভুৰ পৰীক্ষা কৰি সাপৰ কামোৰত মৰা পৰিছিল।
১০আকৌ তেওঁলোকৰ মাজত কিছুমান মানুহে যেনেকৈ
অসন্তুষ্ট হোৱাত সংহাৰকাৰী স্বৰ্গদূতৰ দ্বাৰা বিনষ্ট হৈছিল,
তোমালোকে তেনেকৈ অসন্তোষ প্ৰকাশ নকৰিবা।

১১আৰ্হি স্বৰূপে তেওঁলোকলৈ এইবোৰ সকলো
ঘটিছিল।আৰু শেষ যুগৰ মানুহ যি আমি আমাক চেতনা

[a] **১০:৯** খ্ৰীষ্ট কিছুমান গ্ৰীক লিপিত "প্ৰভু" আছে।

দিবৰ বাবে এইবোৰ কথা লিখা হৈছে। ১২গতিকে যিজনে
নিজৰ মনত সমৰ্থতাৰে থিৰে আছো বুলি ভাবিছে, তেওঁ
সাৱধান হওক, যাতে পৰি নাযায়। ১৩যি যি পৰিক্ষা বিলাক
স্বাভাবিকভাবে লোকসমূহৰ ওচৰলৈ আহে তাতোতকৈ
অধিক পৰিক্ষা তোমালোকলৈ ঘটা নাই। ঈশ্বৰ বিশ্বাসী, তেওঁ
তোমালোকৰ শক্তিৰ অতিৰিক্ত পৰীক্ষা ঘটিব নিদিয়ে; কিন্তু
যাতে সহিব পাৰিবা তাৰ কাৰনে পৰিক্ষাই সৈতে সাৰিবৰ
উপায়ো তেৱেঁই কৰি দিব।

১৪গতিকে মোৰ প্ৰিয় বন্ধুসকল, একেদৰে মূৰ্তিপূজাৰ
পৰা দূৰৈত থাকা। ১৫তোমালোক জ্ঞানী লোক। মই যি কওঁ
তাক তোমালোকে নিজেই বিচাৰ কৰি চোৱা। ১৬আৰ্শীবাদৰ
পানপাত্ৰ, যিহক লৈ আমি ধন্যবাদ দিওঁ সেয়া কি খ্ৰীষ্টৰ
তেজৰ সহভাগীতা নহয় নে? যি পিঠা ভাঙি টুকুৰা টুকুৰ
কৰি খোৱা হয়, সেয়া কি খ্ৰীষ্টৰ শৰীৰৰ সহভাগীতা নহয়
নে? ১৭কিয়নো অনেক যি আমি, আমি সকলোৱেই এক
পিঠা, এক শৰীৰ, কাৰণ আমি সকলোৱেই সেই এটা পিঠাৰ
পৰাই অংশ গ্ৰহণ কৰো।

১৮ইস্ৰায়েল জাতিৰ কথা চিন্তা কৰা। যিবিলাকে বলিৰ
মাংস খায় তেওঁলোকে কি সেই যজ্ঞবেদীৰ নৈবেদ্যৰ
সহভাগী নহয়? ১৯তেন্তে মোৰ এই কথাৰ অৰ্থ কি? মই
কি কৈছো, যে অযিহুদীবিলাকে মূৰ্তিৰ ওচৰত যিবিলাক
ভোগ উৎসৰ্গ কৰে তাৰ কোনো তাতপৰ্য্য আছে নে বা
মূৰ্তিৰ কোনো বাস্তৱিক অৰ্থ আছে নে? ২০তেনে নহয়, মোৰ
কথাৰ অৰ্থ এই যে যিবিলাকে মূৰ্তিৰ উদ্দেশ্য বলিদান কৰে,
তেওঁলোকে তাক ভূত পিশাচ বিলাকৰ উদ্দেশ্যহে কৰে,
ঈশ্বৰৰ উদ্দেশ্য নহয়; আৰু মই নিবিচাৰো যে তোমালোক
ভুত পিশাচবিলাকৰ লগত সহভাগী হোৱা। ২১তোমালোকে
প্ৰভুৰ পানপাত্ৰ আৰু ভুতবিলাকৰ পানপাত্ৰ একেলগে পান
কৰিব নোৱাৰা।

প্ৰভুৰ মেজৰ সহভাগী হৈ আকৌ ভুতবিলাকৰ মেজত
উভয়তে অংশ লব নোৱাৰিবা। ২২নতুবা তোমালোক কি
প্ৰভুক ঈৰ্ষান্বিত কৰিব খুজিছা নে? আমি জানো তেওঁতকৈ
বলৱান?

## তোমালোকৰ স্বাধীনতা ঈশ্বৰৰ মহিমাৰ বাবে ব্যৱহাৰ কৰা

২৩“আমাৰ সকলোবিলাক কৰিবলৈ স্বাধীনতা আছে।”
কিন্তু সকলোবিলাক আমাৰ বাবে মঙ্গলজনক নহয়। “হয়,
যি কোনো কৰিবলৈ আমাক স্বাধীনতা দিয়া আছে।” কিন্তু
সকলোবোৰে আনক ধৰ্মত বৃদ্ধি নকৰে। ২৪কোনোৱে যাতে
নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰনে চেষ্টা নকৰে; কিন্তু প্ৰত্যেকেই
যাতে আনৰহে মঙ্গল বিচাৰে।

২৫বিবেকত একো প্ৰশ্ন নকৰি যি কোনো মাংস বজাৰত
বিক্ৰি হয় তাক খোৱা। ২৬কিয়নো শাস্ত্ৰত যেনেকৈ লিখা
আছে: “পৃথিৱী আৰু ইয়াৰ যি সকলো পৰিপূৰ্ণতা প্ৰভুৰ।” [a]

২৭যদি কোনো অবিশ্বাস ভাইয়ে তোমাক খাবলৈ নিমন্ত্ৰণ
কৰে; আৰু যদি তুমি নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ বিচৰা, তেন্তে
নিজৰ বিবেকত কোনো কথা প্ৰশ্ন নকৰি যি কোনো আহাৰ
তোমালোকৰ আগত থোৱা হয়, তাক ভোজন কৰিবা।
২৮কিন্তু এইয়া, “মূৰ্তিলৈ আগবঢোৱা আহাৰ বা প্ৰসাদ” বুলি
জনালে, তাৰ কথা চিন্তা কৰি আৰু বিবেকত দোষী হবৰ
কাৰণে, তাক নাখাবা। ২৯মই তোমালোকৰ বিবেচনা ভুল
বুলি কোৱা নহয়, কিন্তু আন ব্যক্তিৰ বিবেকে ইয়াক দোষী
কৰিব, তাৰ কাৰনে মাত্ৰ নাখাবলৈ কওঁ। মোৰ স্বাধীনতা
কিয় আনৰ বিবেকৰ দ্বাৰা বিচাৰ হব? ৩০যদি মই ধন্যবাদ
জনাই খাওঁ, তেন্তে যি বিষয়ৰ বাবে ঈশ্বৰক মই ধন্যবাদ
দিছিলো তাৰ বিষয়ে মোৰ দোষ সমালোচনা হোৱাটো মই
নিবিচাৰো।

৩১এতেকে তোমালোকে ভোজন -পান, বা যি যি কৰ্ম
কৰা, সকলো বিষয় ঈশ্বৰৰ মহিমাৰ বাবে কৰা। ৩২যিহুদী, কি
গ্ৰীক, কি ঈশ্বৰৰ মণ্ডলী, কাৰো বিঘিনিৰ কাৰণ নহবা। ৩৩মই
যেনেকৈ নিজৰ হিত নিবিচাৰি আনৰহে হিত বিচাৰো,আৰু
সকলো বিষয়তে সকলোকে সন্তুষ্ট কৰিবলৈ চেষ্টা কৰো
যাতে অনেক লোকে পৰিত্ৰাণ লাভ কৰে।

**১১** ১মই যেনেকৈ খ্ৰীষ্টৰ আৰ্হি অনুসৰন কৰো,
তোমালোকেও তেনেকৈ মোক অনুসৰন কৰা।

## ক্ষমতাৰ অধীন থাকা

২কিয়নো তোমালোকে যি ধৰনে সকলো বিষয়তে মোক
সুঁৱৰি, মই দিয়া যি শিক্ষা আৰু বিধিবোৰ পালন কৰি আছা
তাৰ বাবে মই তোমালোকক প্ৰশংসা কৰিছোঁ। ৩কিন্তু মই
তোমালোকে এই কথা বুজি পোৱাটো বিচাৰো যে প্ৰত্যেক
পুৰুষৰ মূৰস্বৰূপ হৈছে খ্ৰীষ্ট। ভাৰ্য্যাৰ মূৰস্বৰূপ হৈছে
তেওঁৰ স্বামী, আৰু খ্ৰীষ্টৰ মূৰস্বৰূপ হল ঈশ্বৰ।

৪যদি কোনো পুৰুষ তেওঁৰ মূৰ ঢাকি প্ৰাৰ্থনা কৰে বা
ভাবোক্তি প্ৰচাৰ কৰে তেওঁ তেওঁৰ মূৰৰ অসন্মান কৰে।
৫কিন্তু যি তিৰোতাই মূৰ নাঢাকি প্ৰাৰ্থনা কৰে বা বাৰ্তা প্ৰচাৰ
কৰে, তেওঁ নিজৰ মূৰৰ অমৰ্য্যদা কৰে, তেওঁ মূৰৰ চুলি
খুৰুৱাৰ দৰে হৈ পৰে। ৬তিৰোতা যদি তেওঁৰ মূৰ নাঢাকে
তেন্তে তেওঁৰ সকলো চুলি কাটি পেলোৱা উচিত। কিন্তু
চুলি কাটি পেলোৱা বা মূৰ খুৰুৱা যদি তিৰোতাসকলৰ
পক্ষে লাজৰ বিষয় হয়, তেন্তে তেওঁ তেওঁৰ মূৰ ঢাকি ৰখাই
বাঞ্চনীয়।

৭আকৌ পুৰুষ মানুহৰ মূৰ ঢাকি থোৱা উচিত নহয়,
কিয়নো তেওঁ ঈশ্বৰৰ প্ৰতিমূৰ্তিস্বৰূপ আৰু মহিমা। কিন্তু
তিৰোতা হল পুৰুষৰ মহিমা। ৮কিয়নো তিৰোতাৰ পৰা
পুৰুষৰ সৃষ্টি হোৱা নাই; কিন্তু পুৰুষৰ পৰাহে তিৰোতা
আহিছে। ৯তিৰোতা সকলৰ কাৰণ পুৰুষক সৃষ্টি কৰা হোৱা
নাই, কিন্তু পুৰুষৰ বাবে তিৰোতা সকলৰ সৃষ্টি হৈছিল।
১০এই কাৰণে মানুহ আৰু স্বৰ্গদূতবিলাকৰ বাবে নিজৰ
কতৃত্বৰ অধীনতাৰ চিন হিচাপে তিৰোতাই তেওঁৰ মূৰ ঢাকি
ৰাখিব।

[a] **১০:২৬** উদ্ধৃতি গীতমালা ২৪:১; ৫০:১২; ৮৯:১১

১১যি কি নহওক প্ৰভুত তিৰোতাৰ অবিহনে পুৰুষ
স্বাধীন নহয়, আৰু পুৰুষৰ অবিহনে তিৰোতাও স্বাধীন
নহয়। ১২যেনেকৈ পুৰুষৰ পৰা তিৰোতাৰ সৃষ্টি হল, কিন্তু
আকৌ পুৰুষৰ জন্ম তিৰোতাৰ পৰাই হল, প্ৰকৃততে এই
সকলোবিলাক ঈশ্বৰৰ পৰাই হল।
১৩তোমালোক নিজেই বিচাৰ কৰি চোৱা, মূৰ নাঢাকি
ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰা কি তিৰোতাসকলৰ শোভা পায়?
১৪আনকি প্ৰকৃতিয়েও সদ্যহতে তোমালোকক শিকাই যে
পুৰুষ মানুহে দীঘল চুলি ৰখা তেওঁৰ কাৰণে লজ্জাজনক।
১৫কিন্তু দীঘলীয়া চুলি তিৰোতাসকলৰ গৌৰৱৰ বিষয়
কিয়নো সেই দীঘলীয়া চুলি তেওঁৰ মূৰ ঢাকি ৰাখিবৰ বাবে
তেওঁক দিয়া হৈছে। ১৬কোনোবাই হয়তো এই বিষয় লৈ
এতিয়াও তৰ্ক কৰিবলৈ খোজে, কিন্তু আমি আৰু ঈশ্বৰৰ
সকলো মণ্ডলীয়ে, মানুহবিলাকে মানি চলা ৰীতি গ্ৰহন কৰিব
নোৱাৰো।

## প্ৰভুৰ ভোজ

১৭কিন্তু এতিয়া মই যি বিষয়ে তোমালোকক কবলৈ
লৈছো সেই বিষয়ে মই তোমালোকৰ প্ৰশংসা কৰিব
পৰা নাই, কিয়নো তোমালোকে ভালৰ কাৰণে একগোট
হোৱাৰ পৰিবৰ্তে তোমালোকে একগোট হৈ ইজনে
সিজনৰ ক্ষতিসাধন কৰিছা। ১৮প্ৰথমতে মই শুনিছো যে
তোমালোক যেতিয়া মণ্ডলীত গোট খোৱা, তেতিয়া
তোমালোকৰ মাজত ভিন্ন ভিন্ন দল থাকে, আৰু মই এই
বিষয়ে অলপ বিশ্বাস কৰো। ১৯তোমালোকৰ মাজত ভিন্নতা
অবশ্যেই থাকক, যাতে তোমালোকৰ মাজত যিসকল
পৰীক্ষাসিদ্ধলোক তেওঁলোক প্ৰকাশিত হয়।
২০সেয়ে যেতিয়া তোমালোক আটায়ে একগোট
হোৱা তেতিয়া তোমালোক প্ৰকৃততে প্ৰভুৰ ভোজ
ভোজন নকৰা। ২১এই কাৰণে কব লগীয়া হৈছে কাৰণ
খোৱাৰ সময়ত কোনেও কাৰো প্ৰতি অপেক্ষা নকৰি
নিজৰ আহাৰ আগেয়ে খাই লয়, আকৌ আন বিলাকে
খাবলৈ যথেষ্ট আহাৰ নাথাকে; কোনোবাই ভোকত
থাকে আৰু আন কোনোবাই অতিৰিক্ত খাই-বৈ মতলীয়া
হৈ যায়। ২২ভোজন-পান কৰিবলৈ তোমালোকৰ নিজৰ
ঘৰবাৰী আছে। তোমালোকে ঈশ্বৰৰ মণ্ডলীক হেয়জ্ঞান
কৰি দীনহীনবিলাকক তিৰস্কাৰ কৰিব বিচাৰিছানে? মই
তোমালোকক কি কম? এনে কৰ্ম্ম কৰাৰ কাৰণে মই
কি তোমালোকৰ প্ৰশংসা কৰিম? নহয়,এই বিষয়ে মই
তোমালোকক প্ৰশংসা কৰিব নোৱাৰো।
২৩মই প্ৰভুৰ ওচৰৰ পৰা যি শিক্ষা পাইছিলো
তোমালোকক তাক দিছো। যি ৰাতি প্ৰভু যীচুক বধ কৰিবৰ
বাবে শত্ৰুৰ হাতত শোধাই দিয়া হয়, সেই ৰাতিয়েই
তেওঁ পিঠা লৈ, ২৪ধন্যবাদ দিয়াৰ পাচত সেই পিঠা ভাঙি
কলে, " তোমালোকৰ নিমিত্তে, এইয়ে মোৰ শৰীৰ; মোক
সোঁৱৰিবৰ অৰ্থে তোমালোকে ইয়াক কৰিবা।" ২৫ভোজনৰ
পাচত সেই একেদৰে, তেওঁ দ্ৰাক্ষাৰসৰ পানপাত্ৰ তুলি লৈ
কলে, "এই পানপাত্ৰ হল মোৰ তেজত স্থাপিত হোৱা নতুন
নিয়ম। তোমালোকে যিমানবাৰ ইয়াক পান কৰিবা মোৰ
সোঁৱৰনৰ কাৰনে ইয়াক কৰিবা।" ২৬কিয়নো তোমালোকে
যিমানবাৰ এই পিঠা খাবা আৰু এই পানপাত্ৰ পান কৰিবা,
সিমানবাৰ প্ৰভু নহা পৰ্যন্ত তোমালোকে প্ৰভুৰ মৃত্যুৰ কথা
প্ৰচাৰ কৰি থাকা।
২৭এতেকে যি কোনোৱে অযোগ্যভাবে প্ৰভুৰ এই পিঠা
খায় আৰু পানপাত্ৰ পান কৰে, তেওঁ প্ৰভুৰ শৰীৰ আৰু
তেজৰ দোষী হব। ২৮তোমালোকে এই পিঠা খোৱাৰ
আৰু সেই পানপাত্ৰ পান কৰাৰ আগেয়ে তোমালোকে
নিজৰ হৃদয় পৰীক্ষা কৰা উচিত। ২৯কিয়নো যি কোনোৱে
সৰ্তকতাৰে প্ৰভুৰ শৰীৰৰ অৰ্থ বিবেচনা নকৰি অযোগ্যভাবে
যদি এই পিঠা খায় আৰু পানপাত্ৰ পান কৰে, তেন্তে তেওঁৰ
সেই ভোজন পানেই বিচাৰত তেওঁলৈ দোষী হোৱাৰ কাৰণ
হব। ৩০সেই কাৰণে তোমালোকৰ মাজত বহুতলোক আজি
দুৰ্বল আৰু ৰোগীয়া, আৰু অনেক জনৰ মৃত্যু হল। ৩১কিন্তু
যদি আমি নিজৰ সঠিকবিচাৰ কৰিলো হয়, ঈশ্বৰে আমাৰ
সোধবিচাৰ নকৰিলেহেঁতেন। ৩২কিন্তু যেতিয়া প্ৰভুৱে
আমাৰ বিচাৰ কৰে, আমাক শুদ্ধপথ দেখুৱাবলৈ আমাক
শাস্তি দিয়ে।যাতে আমি জগতৰ লোকসমূহৰ লগত বিচাৰত
দণ্ডৰপ্ৰাপ্ত নহওঁ।
৩৩সেয়ে, মোৰ ভাই আৰু ভনীসকল, তোমালোকেও
যেতিয়া ভোজন-পান কৰাৰ বাবে গোট খোৱা, তেতিয়া
এগৰাকীয়ে আনজনৰ বাবে অপেক্ষা কৰিবা। ৩৪যদি
কাৰোবাৰ বৰ ভোক লাগে আৰু অপেক্ষা কৰিব নোৱাৰে,
তেন্তে তেওঁ তেওঁৰ ঘৰতে খাই আহক। এনেকৈ চলা যাতে
তোমালোক একগোট হওঁতে তোমালোকৰ ওপৰত ঈশ্বৰৰ
দণ্ডাজ্ঞা নাহে; আৰু মই যেতিয়া যাম তেতিয়া আৰু আন
আন বিষয়সমূহ সমাধান কৰিম।

## পবিত্ৰ আত্মাৰ বৰসমূহ

১২ ১মোৰ প্ৰিয় ভাই আৰু ভনীসকল, এতিয়া মোৰ
ইচ্ছা, তোমালোকে যেন আত্মিক বৰ সমূহৰ
বিষয়ে সৰ্ম্পূন্নকৈ জ্ঞাত হোৱা। ২তোমালোকৰ পূৰ্বৰ জীৱন
মনত পেলোৱা, যেতিয়া তোমালোক অবিশ্বাসী আছিলা,
তেতিয়া তোমালোক বিপথে পৰিচালিত হৈ নিৰ্জীৱ বোবা
মূৰ্তিবিলাকৰ ওচৰলৈ সেৱা কৰিবলৈ নিয়া হৈছিলা। ৩সেই
কাৰণে মই তোমালোকক জনাইছো যে, ঈশ্বৰৰ আত্মাৰ
প্ৰেৰণাত কথা কওঁতা কোনেও, "যীচু অভিশপ্ত হওক,"
বুলি কেতিয়াও কব নোৱাৰে। আৰু পবিত্ৰ আত্মাৰ সহায়ৰ
অবিহনে কোনেও "যীচুক প্ৰভু," বুলি কব নোৱাৰে।
৪আত্মিক বৰসমূহ বেলেগ বেলেগ বিধৰ, কিন্তু সেই
আটাইবিলাক একেটা আত্মাৰ পৰা হয়। ৫বিভিন্ন ধৰণৰ
পৰিচ্যয়া কৰ্ম্ম আছে, কিন্তু আমি সকলোৱে এজন প্ৰভুৰেই
সেৱা কৰো। ৬ঈশ্বৰৰ কৰ্ম সাধনৰ বিভিন্ন পদ্ধতি আছে,
কিন্তু সেই একেজন ঈশ্বৰেই সকলো ধৰণৰ কৰ্ম্ম মানুহৰ
মাজত সাধন কৰে।

৭সকলোৰ মঙ্গলৰ বাবে প্ৰতিজনকে আত্মা- প্ৰকাশৰ বৰ প্ৰদান কৰা হৈছে। ৮আত্মাৰ দ্বাৰা এজনক প্ৰজ্ঞাৰ বাক্য কোৱাৰ বৰ দিয়া হয়, আৰু সেই একে আত্মাৰ দ্বাৰা আনজনক জ্ঞানৰ বাক্য কোৱাৰ বৰ দিয়া হয়। ৯আকৌ এজনক আত্মাৰ দ্বাৰা বিশ্বাস দিয়া হয়, আনজনক সেই একে আত্মাৰ দ্বাৰা ৰোগীসুস্থ কৰাৰ বৰ দিয়া হয়। ১০আকৌ আত্মাৰ দ্বাৰা কাৰোবাক আচৰিত কৰ্ম্ম কৰা বৰ, কাৰোবাক ভাববাণী কোৱাৰ বৰ,কাৰোবাক বিভিন্ন আত্মাক চিনি পোৱাৰ বৰ, আত্মাৰ দ্বাৰা কাৰোবাক বিভিন্ন ভাষাত কথা কোৱাৰ বৰ আৰু আন কাৰোবাক সেই সকলো ভাষাৰ অনুবাদ আৰু অৰ্থ বুজাই দিয়া বৰ দিয়া হয়। ১১কিন্তু সেই একমাত্ৰ, একেজনা আত্মাই যিজনে এই সকলোবোৰ উতপন্ন কৰে তেঁৱেই নিজ ইচ্ছা অনুসৰি যাকে যি দিবলৈ মন কৰে তাকে তেওঁ বৰসমূহ ভাগ-বাটি দি এই সকলোবোৰ কৰ্ম্ম সম্পন্ন কৰে।

### খ্ৰীষ্টৰ শৰীৰ

১২যেনেকৈ শৰীৰ কেৱল এটাহে, কিন্তু ইয়াৰ বিভিন্ন অঙ্গ প্ৰত্যঙ্গ আছে। যদিও অনেক অঙ্গ প্ৰত্যঙ্গ আছে তথাপি আটাই অঙ্গ-প্ৰত্যঙ্গ মিলি হয় এটি শৰীৰ; খ্ৰীষ্টও ঠিক সেই একেদৰে। ১৩আমাৰ মাজত কোনো যিহুদী, কোনো অযিহুদী, কোন দাস, আকৌ কোন স্বাধীন, কিন্তু আমি সকলোৱে শৰীৰত এক হোৱাৰ বাবে এক আত্মাৰ দ্বাৰা বাপ্তাইজিত হৈছো। আৰু আমাৰ সকলোকে এক আত্মা পান কৰোৱা হৈছে।

১৪সেয়ে এজন ব্যক্তিৰ শৰীৰত এটাৰ অধিক অঙ্গ থাকে। ১৫ভৰিয়ে যদি কয়, “মই হাত নোহোৱা কাৰণে মই শৰীৰৰ অঙ্গ নহও,” তেন্তে সি কি তাৰ কাৰণে শৰীৰৰ অংশ নহব? ১৬কাণেও যদি কয়, “মই হলে চকু নহও, সেয়ে মই শৰীৰৰ অঙ্গ নহও,” তেন্তে সি কি তাৰ কাৰণে শৰীৰ অংশ নহব? ১৭গোটেই শৰীৰ যদি চকু হোৱা হলে শ্ৰৱনৰ সমৰ্থ নহলহেঁতেন? আৰু গোটেই শৰীৰ যদি কাণ হোৱা হলে ঘ্ৰাণ লবলৈ সমৰ্থ নহলহেঁতেন? ১৮–১৯শৰীৰৰ প্ৰতিটো অঙ্গই একে বিধৰ অঙ্গ হোৱা হলে শৰীৰ নহলহেতেন,আচলতে ঈশ্বৰে যেনেদৰে বিচাৰে ঠিক সেইদৰে তেওঁ প্ৰতিটো অঙ্গক শৰীৰৰ উচিত অংশত স্থান দি এক শৰীৰত লগ লগাই দিলে। ২০গতিকে এতিয়া অনেকবিধ অঙ্গ-প্ৰত্যঙ্গ হলেও, শৰীৰ কিন্তু এক।

২১“তোমাক মোৰ কোনো প্ৰয়োজন নাই বুলি চকুৱে কেতিয়াও হাতক কব নোৱাৰে।” আকৌ “তোমালোকৰ মোৰ কোনো প্ৰয়োজন নাই” বুলি মূৰে ভৰি দুয়োটাক কব নোৱাৰে। ২২কিন্তু নহয়, শৰীৰৰ সেই অংশবিলাক, যিবিলাক দুৰ্বল যেন বোধ হয় সেইবিলাকৰ প্ৰয়োজন অতি অধিক। ২৩আৰু যি অঙ্গবিলাকৰ প্ৰতি আমি যত্নবান নহও, সেইবিলাক অঙ্গৰ অধিক যত্ন লোৱা হয়। আমাৰ যি সকলো অঙ্গ প্ৰদৰ্শনৰ অযোগ্য সেইবিলাকক অধিক আদৰৰ শালীনতাত ভূষিত কৰা হয়। ২৪আমাৰ যি সকলো অঙ্গ সুশ্ৰী, সেইবিলাকৰ বাবে আধিক আদৰৰ প্ৰয়োজন নহয়। কিন্তু ঈশ্বৰে শৰীৰ এনেকৈ গঠন কৰিলে যাতে যি অঙ্গৰবোৰৰ মৰ্যাদা নাই সেইবিলাকে যেন অধিক মৰ্যাদা পায়, ২৫যাতে শৰীৰৰ মাজত কোনো বিভেদ সৃষ্টি কৰা নহয়, কিন্তু শৰীৰৰ প্ৰত্যেক অঙ্গই যাতে ইজনে সিজনৰ বাবে উমৈহতিয়াভাবে চিন্তা কৰে। ২৬শৰীৰৰ কোনো এটি অঙ্গই যদি কষ্ট পায়, তেন্তে তেওঁৰ সৈতে সকলো অঙ্গ-প্ৰত্যঙ্গই কষ্ট পায় আৰু কোনো এটি অঙ্গই যদি মৰ্যাদা পায়, তেন্তে তেওঁৰ লগত সকলো অঙ্গ-প্ৰত্যঙ্গই মৰ্যাদা পায় আনন্দিত হয়।

২৭ঠিক সেই একেদৰে, তোমালোকেও খ্ৰীষ্টৰ শৰীৰ, আৰু একো একোজনেই এটি এটি অঙ্গ স্বৰূপ। ২৮ঈশ্বৰে মণ্ডলীত প্ৰথমতে পাঁচনিবিলাকক, দ্বিতীয়তে ভাৱবাদী সকলক, তৃতীয়তে শিক্ষকবিলাকক স্থাপন কৰিলে। তাৰ পাচত বিভিন্ন ধৰণৰ আচৰিত কৰ্ম্ম কৰোতাসকলক, ৰোগী সুস্থ কৰিব পৰা বৰপ্ৰাপ্তসকলক, সহায় কৰিব পৰা বৰপ্ৰাপ্ত, নেতৃত্ব দিব পৰা বৰপ্ৰাপ্তসকলক আৰু বিভিন্ন ভাষা কব পৰা বৰপ্ৰাপ্ত সকলক ক্ষমতা দিলে। ২৯সকলোৱেই পাঁচনি নে? সকলোৱেই ভাৱবাদী নে? সকলোৱেই শিক্ষক নে? সকলোৱেই আচৰিত কৰ্ম্ম কৰোতা নে? ৩০সকলোৱেই কি ৰোগী সুস্থ কৰিব পৰা বৰপ্ৰাপ্ত হৈছে নে? নহয়। সকলোৱেই কি পৰভাষা কোৱাৰ বৰ পাইছে নে? বা সকলোৱেই কি পৰভাষাৰ অৰ্থ বুজাই দিয়ে নে? নহয়। ৩১কিন্তু তোমালোক আত্মাৰ শ্ৰেষ্ঠ বৰদানসমূহ পাবৰ বাবে হাবিয়াহ কৰা। তথাপি এতিয়া এইসকলোতকৈ এক উতকৃষ্ট জীৱনৰ বাট মই তোমালোকক দেখুৱাওঁ।

### প্ৰেমেই শ্ৰেষ্ঠ বৰদান

১৩ ১যদিও মই মানুহৰ ভাষাত,নাইবা স্বৰ্গদূতৰ ভাষাৰে কথা কওঁ তথাপি কিন্তু মোৰ অন্তৰত যদি প্ৰেম নাথাকে, তেন্তে মই কেৱল জোৰে বজোৱা ঘন্টা বা ঝনঝন কৰা কৰতালৰ বাদ্যৰ মাতৰ নিচিনা হৈছো। ২আৰু মই যদিও ভাৱবাণী কোৱাৰ বৰ পাওঁ, আৰু হয়তো মই ঈশ্বৰৰ সকলো নিগূঢ়তত্ত্ব ভালকৈ বুজিপাওঁ আৰু সকলো ঐশ্বৰিক জ্ঞান-বিদ্যা লাভ কৰো, আৰু হয়তো মোৰ যদি এনে মহৎ বিশ্বাস আছে যাৰ শক্তিত মই পৰ্বত পৰ্যন্ত্য আতৰাব পাৰো, এই সকলোবোৰ থকাৰ ওপৰিও অথচ যদি মোৰ অন্তৰত প্ৰেম নাথাকে তেন্তে মই একো নহয়। ৩মই যদি মোৰ যথা সৰ্বস্ব ব্যয় কৰি দৰিদ্ৰবিলাকৰ মূখত আহাৰ যোগাও, যদিও মোৰ শৰীৰ আহুতি দিবৰ বাবে জুইত শোধাই দিওঁ, তথাপি মোৰ প্ৰেম নাথাকিলে, তাত মোৰ একো লাভ নহয়।

৪প্ৰেম ধৈৰ্য্যশীল হয়, প্ৰেম দয়ালু হয়, প্ৰেমত ঈৰ্ষা নহয়,প্ৰেমে অহঙ্কাৰ বা আত্মগৌৰৱ নকৰে। ৫প্ৰেমে কোনো অভদ্ৰ আচৰণ নকৰে। প্ৰেম স্বাৰ্থপৰ নহয় বা নিজৰ লাভ নিবিচাৰে, কেতিয়াও ক্ৰোধত উত্তেজিত নহয়, নিজৰ ওপৰত হোৱা অন্যায় আচৰণ মনত নাৰাখে। ৬প্ৰেমে কোনো মন্দ বিষয় লৈ কেতিয়াও আনন্দ নকৰে, কিন্তু সদায় সত্যতাত আনন্দ কৰে। ৭প্ৰেমে সকলো কথাতে

সহন কৰে, সকলোতে বিশ্বাস কৰে, সকলোতেই আশা ৰাখে, আৰু কেতিয়াও পৰিত্যাগ নকৰে।

৮প্ৰেম কেতিয়াও অন্ত নহয়। কিন্তু ভাবৰাণী কোৱাৰ ক্ষমতা হলে লুপ্ত পাব। পৰভাষা কথা কোৱাৰ ক্ষমতা হলে, সেয়াও এদিনাখন শেষ হব লাগিব। যদিও জ্ঞান থাকে, সিও এদিনাখন লুপ্ত পাব। ৯কিয়নো এই আটাইবোৰৰ পৰিসমাপ্তি ঘটিব, যিহেতু এতিয়া আমাৰ যি জ্ঞান আৰু ভাবৰাণীৰ বৰ সেয়া অসম্পূৰ্ণ। ১০কিন্তু যেতিয়া সম্পূৰ্ণ সিদ্ধবিষয় উপস্থিত হব, তেতিয়া যি যি অসম্পূৰ্ণ আৰু সীমিত সেই সকলোবোৰ লুপ্ত পাই যাব।

১১মই যেতিয়া শিশু আছিলো, তেতিয়া শিশুৰ নিচিনা কথা কৈছিলো, শিশুৰ নিচিনা ভাবিছিলো, আৰু শিশুৰ নিচিনা বিচাৰ কৰিছিলো। কিন্তু এতিয়া মই বয়স প্ৰাপ্ত হৈছো, সেয়ে শিশুকালৰ সেই আচৰনবিলাক ত্যাগ কৰিলো। ১২ঠিক সেই একেদৰে ঈশ্বৰক এতিয়া আমি দৰ্পনত প্ৰতিবিম্ব দেখাৰ দৰে অস্পষ্টকৈ দেখিছো ; কিন্তু সেই সময়ত,ঠিক আমাৰ চকুৰ সন্মুখত সম্পূৰ্ন পৰিস্কাৰকৈ দেখা পাম। এতিয়া মই সীমিত আৰু আংশিক ভাবেহে জানিব পাৰিছো, কিন্তু সেই সময়ত মই সম্পূৰ্ণভাবে জানিব পাৰিম, ঠিক যেনেকৈ ঈশ্বৰে এতিয়া মোক সম্পূৰ্ণভাবে জানে। ১৩এতিয়া এই তিনিটা বিষয়ে আছে: বিশ্বাস, আশা আৰু প্ৰেম; আৰু এইবিলাকৰ মাজত প্ৰেমেই শ্ৰেষ্ঠ।

### আত্মিক বৰসমূহ মণ্ডলী সহায়ৰ অৰ্থে ব্যৱহাৰ কৰা

**১৪** ১তোমালোকে প্ৰেমৰ কাৰণে আপ্ৰান চেষ্টা কৰা আৰু পবিত্ৰ আত্মাৰ বৰদানসমূহ লাভ কৰিবলৈ একান্তভাবে চেষ্টা কৰা উচিত। বিশেষকৈ যাতে তোমালোকে ভাৱবাণী কবলৈ সমৰ্থৱান হব পাৰা। ২যি কোনোৱে পৰভাষাত কথা কোৱাৰ বৰদান পাইছে, তেওঁ মানুহলৈ কথা নকয়, কিন্তু ঈশ্বৰৰ লগতহে কথা কয়, কিয়নো তেওঁ কি কয় তাক কোনেও বুজিবলৈ নোৱাৰে, কাৰণ তেওঁ আত্মাৰ দ্বাৰা নিগূঢ় তত্ত্বৰ বিষয়ে কয়। ৩কিন্তু যি সকলে ভাৱবাণী কয়, তেওঁলোকে মানুহলৈ কয়। মানুহক বিশ্বাসত বৃদ্ধি কৰিবলৈ, উৎসাহ আৰু শান্তনা দিবলৈ। ৪যি কোনোৱে পৰভাষাৰে কথা কয় তেওঁ কেৱল নিজকে বিশ্বাসত গঢ়ি তোলে ; কিন্তু যি কোনোৱে ঐশ্বৰিক ভাৱৰাণী প্ৰচাৰ কৰে তেওঁ মণ্ডলীক বৃদ্ধি কৰে।

৫মোৰ ইচ্ছা যে তোমালোক সকলোৱে যেন পৰভাষাত কথা কোৱাৰ বৰপ্ৰাপ্ত হোৱা ; কিন্তু তাতোতকৈ মোৰ অধিক ইচ্ছা এইয়ে,তোমালোক যেন ভাবৰাণী কবলৈ সমৰ্থ হোৱা।আৰু পৰভাষা কোৱাজনে যদি মণ্ডলীক গঢ়ি তোলাৰ বাবে ভাষাৰ অৰ্থ বুজাই দিবলৈ সমৰ্থ নহয়,তেন্তে এনে জনতকৈ ভাৱৰাণী প্ৰচাৰ কৰা জন শ্ৰেষ্ঠ।

৬হে ভাই আৰু ভনীসকল, মই তোমালোকৰ ওচৰলৈ আহি, কোনো প্ৰকাশিত সত্যবাক্য বা জ্ঞান, ভাবৰাণী বা কোনো শিক্ষাৰ বিষয়ে নকৈ কেৱল পৰভাষাৰে যদি কথা কওঁ, তাত তোমালোকৰ কি লাভ হব? ৭শব্দ কৰা নিস্প্ৰান বস্তু যেনে বাহীঁ বা বীণাৰ নিচিনা গোটা বস্তুৰে সৃষ্টি হোৱা যি সুন্দৰ সুৰ তাৰ বিভিন্ন ধ্বনিৰ স্পষ্ট অন্তৰ বা তাল মিলাই যদি নাবাজে তেন্তে বাহীঁত বা বীণাত কি সুৰ বাজিছে তাক কেনেকৈ বুজা হব? ৮আৰু যুদ্ধত, শিঙাৰ মাত যদি স্পষ্টকৈ বজোৱা নহয়,তেনেহলে সৈনিকসকলে যুদ্ধৰ বাবে যুগুত হোৱাৰ উপযুক্ত সময় বুজি নাপাব?

৯ঠিক তেনেকৈ, তোমালোকে যদি মানুহে বুজি পোৱাকৈ স্পষ্টকৈ ভাষাত নোকোৱা, তেন্তে তোমালোকে যি কোৱা তাক কোনে জানিব? ১০নিঃসন্দেহে কোৱা যায় যে, জগতত অনেক ধৰণৰ ভাষা আছে, তথাপি সেইবিলাক প্ৰত্যেকটোৰেই অৰ্থ আছে। ১১সেয়ে হলে, মই যদি কোনোৱাই কোৱা ভাষাৰ অৰ্থ বুজিব নোৱাৰো, তেন্তে সেই ভাষা কোৱা জনৰ ওচৰত মই এগৰাকী বিদেশীৰ নিচিনা হম; আৰু কোৱা জনেও মোৰ দৃষ্টিত বিদেশী অচিনাকিৰ দৰে হব। ১২তোমালোকৰ ক্ষেত্ৰতো ঠিক সেইদৰে; তোমালোক যি সকলে যেতিয়া আত্মাৰ বৰসমূহ লাভ কৰিবৰ কাৰণে হাবিয়াহ কৰিছা, তেতিয়া মণ্ডলীক সৰলভাবে বৃদ্ধি কৰিবলৈ আৰু তাত উপচি পৰিবলৈ অধিক যত্ন কৰা।

১৩গতিকে, যি সকলৰ পৰভাষা কোৱাৰ বৰ আছে, তেওঁলোকে প্ৰাৰ্থনা কৰা উচিত যাতে তেওঁলোকে কোৱাৰ অৰ্থকো বুজাই দিব পাৰে। ১৪কিয়নো মই যদিও বিভিন্ন পৰভাষাৰে প্ৰাৰ্থনা কৰো, তেন্তে মোৰ আত্মাইহে প্ৰাৰ্থনা কৰে, কিন্তু মোৰ বুদ্ধি-জ্ঞান একেবাৰে নিস্ক্ৰিয় হৈ থাকে। ১৫গতিকে মই কি কৰা উচিত? মই আত্মাত প্ৰাৰ্থনা কৰিম, কিন্তু মই আকৌ মোৰ বুদ্ধি-জ্ঞানেৰেও প্ৰাৰ্থনা কৰিম। মই আত্মাত স্তুতি-প্ৰসংশাৰ গীত কৰিম আৰু একেসময়তে মই আকৌ বুদ্ধি-জ্ঞানেৰেওস্তুতি-প্ৰসংশাৰ গীত কৰিম। ১৬কিয়নো তুমি যেতিয়া তোমাৰ আত্মাত ঈশ্বৰৰ প্ৰশংসা কৰিছা, কিন্তু যি মানুহ কেৱল শ্ৰোতা হিচাপে তাত আছে তেওঁ একো বুজি নোপোৱাকৈ কেনেকৈ তোমাৰ ধন্যবাদৰ প্ৰাৰ্থনাত "আমেন" কব? কিয়নো তুমি কি কৈছা, তাক তেওঁ বুজিব পৰা নাই। ১৭তুমি হয়তো খুউব সুন্দৰভাবে ঈশ্বৰৰ ধন্যবাদ দিব পাৰিছা, কিন্তু ইয়াৰ দ্বাৰা আনবিলাকক একো সহায় কৰা হোৱা নাই।

১৮মই তোমালোক সকলোতকৈ অধিক পৰভাষা কথা কবলৈ পাৰো বুলি ঈশ্বৰক ধন্যবাদ দিওঁ। ১৯কিন্তু মণ্ডলীৰ সভাৰ মাজত, পৰভাষাৰে দহ হাজাৰ শব্দ কোৱাৰ পৰিৱৰ্ত্তে, মই জ্ঞান-বিবেচনাৰে পাঁচটা কথাহে কবলৈ বিচাৰো, যাতে ইয়াৰ দ্বাৰা অনেকে শিক্ষালাভ কৰে।

২০মোৰ প্ৰিয় ভাই আৰু ভনীসকল, তোমালোক শিশুসকলৰ নিচিনা বিবেচনা নকৰিবা, বৰং মন্দ বিষয়ত শিশুসকলৰ নিচিনা হৈ,কিন্তু তোমালোকে বয়সস্থ সকলৰ দৰে চিন্তা-বিবেচনাত পৰিপক্ক হোৱা। ২১যেনেকৈ বিধান শাস্ত্ৰত লিখা আছে :

"বিভিন্ন ভাষা কোৱা লোকসমূহৰ দ্বাৰা
আৰু আন দেশীয়সকলৰ ওঁঠেৰে

মই এই জাতিৰ লগত কথা কম;
কিন্তু তথাপিও সেই লোকসমূহে মোৰ কথা
নুশুনিব।” *যিচয়া ২৮:১১–১২*

প্ৰভুৱে এনেদৰে কয়।

২২গতিকে বিভিন্ন পৰভাষা কোৱাৰ বৰদান, এই চিন বিশ্বাসীসকলৰ বাবে নহয় কিন্তু তাক অবিশ্বাসীসকলৰ কাৰণেহে। কিন্তু ভাববাণী অবিশ্বাসীসকলৰ বাবে নহয়, সেয়া বিশ্বাসীসকলৰ কাৰণেহে চিন হয়। ২৩সেই বাবে যেতিয়া গোটেই মণ্ডলী গোট খায়, তেতিয়া যদি প্ৰত্যেকেই বিভিন্ন পৰভাষাত কথা কৈ থাকে; আৰু তাত যদি কোনো অবিশ্বাসী বা আন কোনো বাহিৰৰ মানুহ প্ৰৱেশ কৰে, তেন্তে তেওঁলোকে তোমালোকক বলিয়া বুলি নকবনে? ২৪কিন্তু যদি সকলোৱে ভাববাণী প্ৰচাৰ কৰে,আৰু সেই সময়ত যদি কোনো অবিশ্বাসী মানুহ বা আন কোনো সাধাৰণ মানুহ তাত সোমাই আহে, তেন্তে তেওঁ সেই ভাববাণী শুনি তেওঁৰ পাপৰ বিষয়ে সচেতন হয় আৰু সেই ভাববাণীৰ দ্বাৰাই বিচাৰপ্ৰাপ্ত হয়। ২৫এইদৰে তেওঁৰ অন্তৰৰ গুপুত কথা সকলো প্ৰকাশ পায়। তেওঁ তেতিয়া মাটিত উবুৰি হৈ পৰি ঈশ্বৰৰ উপাসনা কৰিব আৰু কব, “বাস্তবিকেই, তোমালোকৰ মাজত ঈশ্বৰ আছে।”

### তোমালোকৰ সভাবিলাক মণ্ডলীৰ সহায় হওক

২৬গতিকে হে মোৰ প্ৰিয় ভাই আৰু ভনীসকল, তেন্তে তোমালোকে কি কৰিবা? তোমালোক যেতিয়া আৰাধনাৰ বাবে এক ঠাইত গোট হোৱা, তেতিয়া কোনোৱে স্তুতি-প্ৰসংশা গীত কৰিব, কোনোৱে শিক্ষা দিব, কোনোৱে যদি কোনো সত্য প্ৰকাশ কৰে, তেন্তে তেওঁ তাক কব, কোনোৱে পৰভাষাৰে কথা কব, আকৌ কোনবাই তাৰ ব্যাখ্যা কৰি দিব; কিন্তু এই সকলোবিলাক যাতে মণ্ডলীৰ বৃদ্ধিৰ বাবে হয়। ২৭পৰভাষা কবলৈ হলে দুজন নাইবা তিনিজনৰ অধিকে যাতে কথা নকয়। প্ৰত্যেকেই যাতে পালক্ৰমে ইজনৰ পিচত সিজনে শৃঙ্খলাভাবে কয়, আৰু কোনো এগৰাকীয়ে যাতে তাৰ অৰ্থ বুজাই দিয়ে। ২৮অৰ্থ বুজাই দিবৰ মানুহ যদি নাথাকে, তেন্তে পৰভাষা কথা কওঁতাজন যাতে মণ্ডলীত নীৰৱে থাকে। তেওঁলোকে কেৱল নিজলৈ আৰু ঈশ্বৰৰ লগত কথা হোৱা উচিত।

২৯কেৱলমাত্ৰ দুজন বা তিনিজনে ভাববাণীৰ কওক আৰু আনবিলাকে তাৰ বিচাৰ কৰক। ৩০তাত বহি থকা এনে কাৰো ওচৰলৈ যদি ঈশ্বৰৰ কোনো বাৰ্তা প্ৰকাশিত হয় তেন্তে প্ৰথমে ভাববাণী কোৱাজনে সমাপ্ত কৰা উচিত, ৩১যাতে এটাৰ পাছত এটাকৈ সকলোৱে ভাববাণী প্ৰচাৰ কৰিব পাৰে আৰু সকলোৱে শিক্ষালাভ কৰে আৰু উৎসাহিত হয়। ৩২ভাববাদী সকলৰ আত্মা ভাববাদী সকলৰ নিয়ন্ত্ৰণত থাকে। ৩৩কিয়নো ঈশ্বৰে কেতিয়াও বিশৃঙ্খল বা বিভ্ৰান্তিৰ সৃষ্টি নকৰে, তেওঁ শান্তিৰ ঈশ্বৰ, ঈশ্বৰৰ পবিত্ৰ লোকসমূহৰ সকলো মণ্ডলীবিলাকত এয়েই নিয়ম।

৩৪মণ্ডলীৰ এই সভাবিলাকত তিৰোতাসকলে নীৰৱে থকা উচিত। ঈশ্বৰৰ লোকসমূহৰ সকলো মণ্ডলীতে এই ৰীতি প্ৰচলিত। তিৰোতাসকলক কথা কোৱাৰ অনুমতি দিয়া হোৱা নাই। বৰং মোচিৰ বিধান-ব্যবস্থাই যেনেকৈ কয় সেইমতে তেওঁলোকে বাধ্য হৈ থাকক। ৩৫তিৰোতাসকলে যদি কিবা জানিব ইচ্ছা কৰে তেন্তে তেওঁলোকে ঘৰত নিজৰ স্বামীসকলৰ ওচৰত তাক সোধা উচিত, কিয়নো সভাত তেনেকৈ কথা কোৱা তিৰোতাসকলৰ পক্ষে অমৰ্য্যদাৰ বিষয়।

৩৬তোমালোকৰ মাজৰ পৰাই ঈশ্বৰৰ শিক্ষা প্ৰসাৰিত হৈছিল নেকি? বা কেৱল তোমালোকলৈহে সেয়া আহিছিল নেকি? ৩৭যদি কোনবাই নিজকে ভাববাদী বা আত্মাৰ বৰদান লাভ কৰিলো বুলি মনত ভাবিছে, তেন্তে তেওঁ স্বীকাৰ কৰা উচিত যে মই তোমালোকলৈ যি লিখিছো সেই সকলো প্ৰভুৰ আজ্ঞা;

৩৮আৰু যদি কোনোৱে তাক অৱজ্ঞা কৰে তেতিয়া তেৰোঁ অৱজ্ঞাৰ পাত্ৰ হব লাগিব। ৩৯সেইকাৰণে, মোৰ ভাই আৰু ভনীসকল, তোমালোকে ভাববাণী প্ৰচাৰ কৰাৰ বাবে আগ্ৰহী হোৱা আৰু পৰভাষা কবলৈ লোকসমূহক নিষেধ নকৰিবা, ৪০কিন্তু সকলোবিলাক কৰ্ম যাতে যথাযথ আৰু শৃঙ্খলাবদ্ধভাবে কৰা হয়।

### যীচু খ্ৰীষ্টৰ সম্বন্ধে শুভবাৰ্তা

**১৫** ১এতিয়া, ভাই আৰু ভনীসকল, তোমালোকৰ আগত মই যি শুভবাৰ্তা প্ৰচাৰ কৰিলো, তাকে তোমালোকক সোঁৱৰায় দিছোঁ। তোমালোকে এই বাৰ্তা গ্ৰহণ কৰিলা আৰু তাতে নিৰন্তৰে থিৰে আছা। ২এই বাৰ্তাৰ দ্বাৰাই তোমালোকে উদ্ধাৰ পালা, কিন্তু তোমালোকে তাক দৃঢভাবে ধৰি ৰাখা আৰু তাত পূৰ্ণৰূপে বিশ্বাস ৰাখা। নহলে তোমালোকৰ বিশ্বাস বৃথা হব।

৩মই যি বাৰ্তা পাইছো তাক আটাইতকৈ গুৰুত্বপূৰ্ণ সত্যতা জানি তোমালোকৰ আগত জনালো যে, শাস্ত্ৰত কোৱা অনুসাৰে খ্ৰীষ্ট আমাৰ পাপৰ বাবে মৰিল, ৪আৰু তেওঁক মৈদাম দিয়া হল। আকৌ শাস্ত্ৰত কোৱাৰ দৰে মৃত্যুৰ তিনি দিনৰ পাছত তেওঁক মৃত বিলাকৰ মাজত পৰা জীৱিত কৰা হল। ৫আৰু তেওঁ পিতৰক দেখা দিলে আৰু পাছে সেই বাৰজন পাঁচনিক দেখা দিলে। ৬তাৰ পিছত তেওঁ একেলগে সংখ্যাত পাঁচশৰ অধিক বিশ্বাসী ভাইবিলাকক দেখা দিলে। তেওঁলোকৰ মাজত অধিক ভাগ মানুহ এতিয়াও জীৱিত আছে,কিন্তু কিছুমান মানুহ হয়তো ইমানদিনে মৰিল। ৭ইয়াৰ পিছত তেওঁ যাকোবক দেখা দিলে আৰু পাছত পাঁচনিসকলৰ সকলোকে দেখা দিলে। ৮আৰু সৰ্ববশেষত মোক, অসময়ত জন্মহোৱা যি মই, তেওঁ মোক দেখা দিলে।

৯কিয়নো পাঁচনিসকলৰ মাজত মইয়েই সকলোতকৈ সৰু, এনে কি পাঁচনি নাম পোৱাৰো যোগ্য নহওঁ;কাৰণ ঈশ্বৰৰ মণ্ডলীক মই তাড়না কৰিছিলো। ১০কিন্তু এতিয়া

মই যি হৈছো, সেয়া ঈশ্বৰৰ অনুগ্ৰহৰেহে হৈছো। আৰু
মোৰ প্ৰতি তেওঁ যি অনুগ্ৰহ দান কৰিলে সেয়া নিষ্ফল হোৱা
নাই, যিহেতু মই তেওঁলোক সকলোতকৈ অধিক পৰিশ্ৰম
কৰিলো। প্ৰকৃততে মই অকলেই এই কৰ্ম্ম কৰিছিলো এনে
নহয় ; কিন্তু মোৰ লগত ঈশ্বৰৰ যি অনুগ্ৰহ আছিল তাতেই
সেয়া সম্ভৱ হৈছে। ১১যিহেতু মই বা আন যিয়েই নহওক
তোমালোকৰ ওচৰত শুভবাৰ্তা ঘোষনা নকৰো কিয়,
আমি সকলোৱে একেই শুভবাৰ্তা প্ৰচাৰ কৰিছিলো, যি
তোমালোকে সেইদৰে বিশ্বাস কৰিলা।

## আমি মৃত্যুৰ পৰা তোলা হম

১২কিন্তু আমি যেতিয়া খ্ৰীষ্ট মৃত বিলাকৰ মাজৰ পৰা
পুনৰুত্থান হল বুলি প্ৰত্যেককে ঘোষনা কৰো, তেতিয়া
তোমালোকৰ মাজৰ কোনো কোনোৱে মৃত বিলাকৰ
পুনৰুত্থান নাই বুলি কেনেকৈ কব পাৰে? ১৩মৃত বিলাকৰ
কোনোৱে যদি কেতিয়াও পুনৰুত্থান নহয়, তেন্তে খ্ৰীষ্টকো
কেতিয়াও জীৱনলৈ তোলা হোৱা নাই, ১৪আৰু খ্ৰীষ্টৰ যদি
পুনৰুত্থান হোৱা নাই তেন্তে আমাৰ এই ঘোষনা ভিত্তিহীন,
আৰু তোমালোকৰ বিশ্বাসো বৃথা। ১৫আকৌ আমি যি ঈশ্বৰৰ
বিষয়ে মিছা সাক্ষ্য দিছোঁ, সেই দোষত আমিও দোষী
সাব্যস্ত হম, কিয়নো আমাৰ ঈশ্বৰৰ বিষয়ে প্ৰচাৰ কৰিবলৈ
গৈ এই কথা কৈছিলো যে তেওঁ খ্ৰীষ্টক মৃত বিলাকৰ মাজৰ
পৰা পুনৰুত্থান কৰিলে যদিহে মৃত বিলাকক তোলা নহল।
১৬আৰু যদি মৃত বিলাকৰ পুনৰুত্থান হোৱা নাই, তেন্তে
খ্ৰীষ্টৰো মৃত্যুৰ পৰা পুনৰুত্থান হোৱা নাই; ১৭আৰু খ্ৰীষ্টৰ
যদি পুনৰুত্থান হোৱা নাই, তেন্তে তোমালোকৰ বিশ্বাসৰ
কোনো মূল্য নাই, তোমালোকে এতিয়াও নিজ নিজ পাপৰ
বন্ধনত আছা। ১৮হয়,আৰু খ্ৰীষ্টৰ আশ্ৰয়ত যিসকলৰ মৃত্যু
হল তেওঁলোক সকলোৱে বিনষ্ট হৈছে। ১৯খ্ৰীষ্টত আমাৰ
আশা যদি কেৱল এই জীৱনৰ কাৰণে হয়, তেন্তে আন
লোকসমূহতকৈ আমাৰ দশা অধিক শোচনীয় হব।

২০কিন্তু এতিয়া প্ৰকৃততে, নিদ্ৰিত হোৱা আটাই বিলাকৰ
মাজত প্ৰথম ফলস্বৰুপে খ্ৰীষ্ট মৃত বিলাকৰ মাজৰ পৰা
পুনৰুত্থান হল। ২১কিয়নো এজন মানুহৰ যোগেদি যেনেকৈ
মৃত্যু আহিল, মৃত বিলাকৰ মাজৰ পৰা পুনৰুত্থানও
ঠিক সেইদৰেই এজন মানুহৰ দ্বাৰা আহিল। ২২কিয়নো
আদমত যেনেকৈ সকলোৱে মৃত্যু হয়, ঠিক সেইদৰেই
খ্ৰীষ্টত সকলোৱে জীৱন লাভ কৰিব। ২৩কিন্তু প্ৰত্যেকেই
ক্ৰমে জীৱিত হব; খ্ৰীষ্ট, যিজন অগ্ৰগনী, তেওঁ প্ৰথম মৃত
বিলাকৰ মাজৰ পৰা জীৱিত হল, আৰু যিবিলাক খ্ৰীষ্টৰ মানুহ
তেওঁলোকে তেওঁৰ পুনৰাগমনৰ সময়ত জীৱিত হৈ উঠিব।
২৪খ্ৰীষ্ট যেতিয়া প্ৰত্যেক শাসনকৰ্তা, ক্ষমতা আৰু সকলো
প্ৰকাৰ শক্তিক পৰাস্ত কৰি পিতৃ ঈশ্বৰৰ হাতত ৰাজ্য শোধাই
দিব আৰু তেতিয়া সমাপ্তি আহিব।

২৫কিয়নো যিমানদিনলৈকে ঈশ্বৰে তেওঁৰ সকলো
শত্ৰুক খ্ৰীষ্টৰ ভৰিৰ তল নকৰে, সিমানদিনলৈকে খ্ৰীষ্টই
ৰাজত্ব কৰিব লাগিব। ২৬আৰু অন্তিম শত্ৰুৰ ৰুপত যি মৃত্যু
তাকো বিনাশ কৰা হব। ২৭কিয়নো, “ঈশ্বৰে সকলোকে
তেওঁৰ অধীনস্থ কৰি তেওঁৰ ভৰিৰ তলত ৰাখিছে।”[a]
যেতিয়া কোৱা হৈছে যে, “সকলো বিষয়” তেওঁৰ
অধীনস্থ কৰা হৈছে, তেতিয়া এইটো স্পষ্ট যে ঈশ্বৰে
নিজকে বাদ দি সকলোবিষয় খ্ৰীষ্টৰ বশীভূত কৰিলে যিহেতু
ঈশ্বৰে নিজেই সেইজন যিজনে সকলোক খ্ৰীষ্টৰ অধীন
কৰিলে।২৮সকলোবিলাক খ্ৰীষ্টৰ অধীনস্থ হওঁতে পুত্ৰয়ো
ঈশ্বৰৰ অধীনস্থ হব। যাতে ঈশ্বৰ, যিজনে তেওঁক সকলোৰ
ওপৰত ক্ষমতা দিছিল, সেই ঈশ্বৰেই কেৱল সৰ্ব্বোপৰি
শাসনকৰ্তা হয়।

২৯নহলে, যিবিলাকে মৃত লোকসমূহৰ উদ্দেশ্যে বাপ্তিস্ম
গ্ৰহণ কৰিলে তেওঁলোকৰ কি হব? মৃত বিলাকৰ যদি
কেতিয়াও পুনৰুত্থানেই নহয়, তেন্তে তেওঁলোকৰ বাবে
মানুহে কিয় বাপ্তাইজিত হয়?

৩০আমিও বা কিয় প্ৰতি মুহূৰ্তে সঙ্কটৰ সম্মুখীন হওঁ?
৩১হে ভাই-ভনীসকল, খ্ৰীষ্ট যীচুত তোমালোকৰ বাবে মোৰ
যি গৰ্ব আছে তাৰেই শপত কৰি মই কৈছো, এই কথা
সত্য, যে মই প্ৰতিদিনেই মৃত্যুমুখত আছো। ৩২যদি কেৱল
মানবীয় স্তৰত ইফিচিয়াৰ সেই হিংস্ৰ পশুবিলাকৰ লগত
যুদ্ধ কৰিলো বুলি ভাবি থাকো তেন্তে মোৰ কি লাভ হৈছে?
একো নহয়। মৃত বিলাকৰ যদি পুনৰুত্থানেই নাই,তেন্তে
“আহাঁ ভোজন পান কৰি ফূৰ্তি কৰোঁহক কিয়নো কাইলৈ
যিহেতু আমি মৰিমেই।”[b]

৩৩ভ্ৰান্ত নহবা, “অসৎ সঙ্গে সুচৰিত্ৰ নষ্ট কৰে।”
৩৪চেতনালৈ ঘূৰি আহাঁ, পাপ কৰ্ম্ম বন্ধ কৰা, কিয়নো
তোমালোকৰ মাজত কিছুমান মানুহ আছে যিবিলাকে ঈশ্বৰ
সম্বন্ধে সম্পূৰ্ণ অজ্ঞ। তোমালোকে লাজ পাবৰ কাৰণে মই
এইবোৰ কথা কৈছো।

## আমাৰ পুনৰুত্থান

৩৫কিন্তু কোনো কোনোৱে সুধিব, “মৃত বিলাকৰ কেনেকৈ
পুনৰুত্থান হয়? অৰ্থাত তেওঁলোকৰ কিদৰে দেহ বা শৰীৰ
হব?” ৩৬কি নিৰ্ব্বোধীৰ দৰে প্ৰশ্ন! যেতিয়া তোমালোকে
গুটি বোৱা, সি নমৰা পৰ্যন্ত নগজে। ৩৭আৰু যেতিয়া
তুমি যি বোৱা, তাৰ যি “গজালি বা গা গছ ” উৎপন্ন হব
তুমি তাক বোৱা নাই, সেয়া ঘেহুঁ বা আন কোনো ধানেই
হওক তুমি তাৰ কেৱল বীজ মাত্ৰ বোৱা। ৩৮কিন্তু ঈশ্বৰে
ইচ্ছানুসাৰে তেওঁৰ বাবে এটা শৰীৰ প্ৰদান কৰে। প্ৰত্যেক
বীজ বা গুটিৰ বাবে তেওঁলোকক নিজ নিজ শৰীৰ প্ৰদান
কৰে। ৩৯সকলো জীৱিত প্ৰাণীৰ শৰীৰ একে ধৰণৰ নহয়;
যেনেকৈ মানুহৰ এক ধৰণৰ শৰীৰ আছে, পশুবিলাকৰ
আন এক ধৰনৰ শৰীৰ, পক্ষীবিলাকৰ আকৌ আন ধৰণৰ
শৰীৰ আৰু মাছবিলাকৰো বেলেগ ধৰণৰ শৰীৰ। ৪০সেই
একেদৰে স্বৰ্গীয় শৰীৰ যেনেকৈ আছে, যেনেকৈ পাৰ্থিব
শৰীৰো আছে। স্বৰ্গীয় শৰীৰবিলাকৰ উজ্জলতা এক ধৰণৰ,

[a] **১৫:২৭** উদ্ধৃতি গীতমালা ৮:৬
[b] **১৫:৩২** উদ্ধৃতি যিচয়া ২২:১৩; ৫৬:১২

আকৌ পাৰ্থিৱ শৰীৰবিলাকৰ অন্যধৰণৰ। ৪১সূৰ্য্যৰ এক ধৰণৰ
প্ৰতাপ, জোনৰ আৰু এক ধৰণৰ, আকৌ নক্ষত্ৰবিলাকৰ আন
ধৰণৰ। এটা নক্ষত্ৰ পৰা আন নক্ষত্ৰৰ উজ্জলতা ভিন্ন।
৪২সেই একেদৰে মৃত বিলাকৰ পুনৰুত্থানও। যি শৰীৰক
মৈদাম দিয়া হয় সেয়া ক্ষয়প্ৰাপ্ত, যি শৰীৰ পুনৰুত্থান হয়
সেয়া অক্ষয়তাৰ পাত্ৰ। ৪৩যি শৰীৰ মাটিত মৈদাম দিয়া হয়,
তাৰ কোনো মূল্য নাই,কিন্তু যি শৰীৰ পুনৰুত্থান হয় সেইয়া
গৌৰৱজনক। যি শৰীৰ মাটিত মৈদামত থোৱা হয়, সেয়া
দুৰ্বল, যি শৰীৰ পুনৰুত্থান হয় সেয়া প্ৰভাৱশালী। ৪৪যি শৰীৰ
মাটিত মৈদামত থোৱা হয় ই পাৰ্থিৱ স্বাভাৱিক শৰীৰ; আৰু
যি শৰীৰ পুনৰুত্থান হয় সেয়া আত্মিক শৰীৰ।
যেতিয়া পৰ্থিৱ স্বাভাৱিক দেহ আছে, তেতিয়া আত্মিক
দেহো আছে। ৪৫শাস্ত্ৰত এই কথাও কৈছে: "প্ৰথম মানুহ
(আদম) জীৱিত প্ৰাণী হল;" কিন্তু শেষ আদম (খ্ৰীষ্ট)
জীৱনদায়ক আত্মা হল।[a] ৪৬তথাপি যি আত্মিক সেয়া প্ৰথম
নহয় কিন্তু যি স্বাভাৱিক সেয়ে প্ৰথম; যি আত্মিক তাৰ পাছত
আহে। ৪৭প্ৰথম মানুহ আদম আহিল পৃথিৱীৰ ধূলিৰ পৰা
হোৱা, দ্বিতীয় মানুহ (খ্ৰীষ্ট) আহিল স্বৰ্গৰ পৰা। ৪৮পৃথিৱীৰ
অন্য মানুহবিলাক পাৰ্থিৱ মানুহজনৰ নিছিনা ; আৰু স্বৰ্গীয়
মানুহবিলাক সেই স্বৰ্গীয় মানুহজন দৰে। ৪৯আমি যেনেকৈ
পাৰ্থিৱ সেই মানুহৰ নিচিনা গঢ়া হলো, তেনেকৈ আকৌ
আমাৰ সেই স্বৰ্গীয় মানুহ প্ৰতিৰূপ ধাৰন কৰিম।
৫০মোৰ ভাই আৰু ভনীসকল, তোমালোকক ইয়াকে কওঁ
যে : আমাৰ তেজ আৰু মাংস ঈশ্বৰৰ ৰাজ্যৰ অধিকাৰী হব
নোৱাৰে। যি সকলো ক্ষয়নীয় তাক অক্ষয়নীয়তাৰ ভাগী হব
নোৱাৰে। ৫১কিন্তু শুনা, মই তোমালোকৰ এটি নিগূঢ়তত্ব
কওঁ। আমি সকলোৱে নিদ্ৰিত হম এনে নহয়, কিন্তু আমাৰ
সকলোৰে ৰূপান্তৰ ঘটিব। ৫২এক মুহূৰ্তত যেতিয়া শেষৰ তূৰী
বাজিব তেতিয়া চকুৰ পলকতে সেয়া ঘটিব। কিয়নো তূৰী
বাজিব, তাতে মৃত বিলাকৰ সকলোৱে অক্ষয়নীয় হৈ
উথিত হব, আৰু আমি সকলোৱে ৰূপান্তিৰিত হম। ৫৩কিয়নো
এই ক্ষয়নীয় শৰীৰ অক্ষয়নীয়তাৰ বস্ত্ৰ পিন্ধিব লাগিব; আৰু
এই পাৰ্থিৱ মৃত্যুময় শৰীৰে অমৰতাক পিন্ধিব লাগিব। ৫৪আৰু
যেতিয়া এই ক্ষয়নিয় শৰীৰে অক্ষয়নীয়তাৰ বস্ত্ৰ পিন্ধিব
আৰু এই পাৰ্থিৱ মৰ্ত্যশৰীৰে যেতিয়া অমৰতাৰে ভূষিত হব
তেতিয়া শাস্ত্ৰত যি কথা লিখা আছে সেয়ে সিদ্ধ হব:

"মৃত্যুক বিজয়ৰে গিলি পেলোৱা হল।" *যিচয়া ২৫:৮*

৫৫ "হে মৃত্যু তোমাৰ জয় কত?
হে মৃত্যু তোমাৰ হুল কত?" *হোচেয়া ১৩:১৪*

৫৬মৃত্যু হুল পাপ আৰু পাপৰ শক্তি আহে বিধান-ব্যৱস্থাৰ
পৰা। ৫৭কিন্তু ঈশ্বৰক ধন্যবাদ দিওঁ। তেৰেঁই আমাৰ প্ৰভু যীচু
খ্ৰীষ্টৰ দ্বাৰাই আমাক বিজয়ী কৰিলে।

৫৮এতেকে, হে মোৰ প্ৰিয় ভাই আৰু ভনীসকল,কিয়নো
প্ৰভুত যে তোমালোকৰ পৰিশ্ৰম কেতিয়াও ব্যৰ্থ নহয়
ইয়াকে জানি সুস্থিৰ হৈ থিৰে থাকা আৰু সদায় প্ৰভুৰ
কাৰ্য্যত নিজকে সম্পূৰ্ণভাবে উৎসৰ্গা কৰা।

## যিহুদীয়াৰ বিশ্বাসীসকলৰ বাবে অৰ্থ সংগ্ৰহ

**১৬** ১এতিয়া চোৱা, ঈশ্বৰৰ লোকসমূহক দিবৰ
বাবে দান সংগ্ৰহৰ বিষয়ে গালাতীয়াৰ
মণ্ডলীসমূহক মই যেনেকৈ কৰিবলৈ আদেশ দিছিলো
তোমালোকেও তেনেকৈ কৰিবা; ২সপ্তাহৰ প্ৰথম দিনা
ৰবিবাৰে, তোমালোকৰ প্ৰতিজনে নিজ নিজ উপাৰ্জনৰ
পৰা যি পৰিমানে আৰ্শীব্বাদিত হৈছা সেই অনুপাতে কিছু
অৰ্থ দানৰ কাৰণে কোনো ঠাইত পৃথক কৰি সাচি ৰাখিবা।
যাতে মই উপস্থিত হোৱা সময়ত দান সংগ্ৰহ কৰা নহয়।
৩মই যেতিয়া গৈ পাম, তেতিয়া তোমালোকে যিবিলাকক
যোগ্য বুলি ভাবা তেওঁলোকৰ হাতত তোমালোকৰ সেই
দান, পৰিচয় পত্ৰৰে সৈত্যে তেওঁলোকক যেৰুচালেমলৈ
পঠিয়াম। ৪আৰু মোৰ যোৱাটোও যদি উচিত হয় তেন্তে
তেওঁলোকে মোৰ লগত একেলগে যাব পাৰিব।

## পৌলৰ পৰিকল্পনা

৫মই মাকিদনিয়া হৈ যোৱাৰ পৰিকল্পনা কৰিছোঁ। মাকিদনিয়া
যোৱাৰ পাছত তোমালোকৰ তালৈ যাম। ৬সম্ভৱ হলে হয়তো
কিছুদিন তোমালোকৰ তাত থাকি যাম। শীতকালটো হয়তো
তোমালোকৰ তাতেই কটাম। তেতিয়া তোমালোকৰ
ওচৰৰ পৰা মই যি ঠাইত যাম, মোৰ তাত যোৱাৰ ব্যৱস্থাৰ
তোমালোকে সহায় কৰিবলৈ পাৰিবা। ৭এতিয়া যাত্ৰাৰ পথত
তোমালোকৰ লগত সাক্ষাৎ কৰিবলৈ বিচাৰা নাই। প্ৰভুৰ
ইচ্ছা হলে তোমালোকৰ লগত অনেক সময় কটোৱাৰ ইচ্ছা
আছে। ৮তথাপি পঞ্চাশদিনীয়া পৰ্ব্ব পৰ্য্যন্ত মই ইফিচত
থাকিম। ৯কিয়নো ইয়াত যি কামত ফল পোৱা যায় সেই
দৰে কৰ্ম্মৰ বাবে এটা ৰৰ ডাঙৰ সুযোগ মোৰ সন্মূখত মুকলি
হৈ আহিছে, যদিও ইয়াত অনেকে বিৰোধিতা কৰিছে।
১০তীমথিয় হয়তো তোমালোকৰ ওচৰলৈ যাব পাৰে,
তেওঁক আদৰ যত্ন কৰিবা। তোমালোকৰ লগত তেওঁ যাতে
নিৰ্ভয়ে থাকিব পাৰে। তেঁৱেও মোৰ নিচিনা প্ৰভুৰ কৰ্ম্ম
কৰিছে, কোনেও যাতে তেওঁক হেয়জ্ঞান নকৰে। ১১তেওঁক
তোমালোকে তেওঁৰ যাত্ৰাৰ বাটত শান্তিৰে আগুৱাই দিবা,
যাতে তেওঁ মোৰ ওচৰলৈ কুশলে উভটি আহিব পাৰে।
ভাইবিলাকক লগত লৈ তেওঁ মোৰ ওচৰত অহালৈ মই এই
আশাৰে বাট চাই আছোঁ।
১২এতিয়া আমাৰ ভাই আপল্লোৰ বিষয়ে হলে :তেওঁ
অন্য ভাইসকলৰ সৈতে তোমালোকৰ ওচৰলৈ যাবলৈ মই
তেওঁক বহুতবাৰ উৎসাহিত কৰিলো। কিন্তু এইটো স্পষ্ট যে
তেওঁৰ তোমালোকৰ ওচৰলৈ যোৱাৰ ইচ্ছাএতিয়া সমূলি
নাই। তথাপি তেওঁ সুযোগ পালেই তোমালোকৰ ওচৰলৈ
যাব।

[a] **১৫:৪৫** উদ্ধৃতি আদিপুস্তক ২:৭

### পৌলৰ চিঠিৰ শেষ কথা

১৩তোমালোকে পৰ দি জাগি থাকিবা,নিজৰ যি বিশ্বাস তাক
দৃঢ়তাৰে ধৰি থাকিবা, সাহিয়াল হোৱা আৰু বলবন্ত হোৱা।
১৪তোমালোকৰ সকলো কৰ্ম প্ৰেমেৰে কৰা হওক।
১৫মোৰ ভাইসকল, মই তোমালোকৰ ওচৰত এটা অনুৰুধ
কৰিছোঁ, তোমালোকে স্তিফান আৰু তেওঁৰ পৰিয়ালৰ
বিষয়ে জানা। আখায়াত (গ্ৰীচত) তেওঁলোকে প্ৰথম খ্ৰীষ্টৰ
অনুগামী হয়। এতিয়া তেওঁলোকে আপোনা-আপোনিকৈ
ঈশ্বৰৰ ভক্তসকলৰ সেৱা-শুশ্ৰূষা কৰিবলৈ ভাৰ লৈ
নিজকে উৎসৰ্গা কৰিলে। ভাইসকল, তোমালোকৰ ওচৰত
মোৰ অনুৰুধ, ১৬তোমালোকে এনেকুৱা লোকসমূহৰ, যি
সকলে অতি পৰিশ্ৰমেৰে প্ৰভুৰ সেৱাত উৎসৰ্গিত আছে,
তেওঁলোকৰ নেতৃত্ব মানি একেলগ হৈ সেৱা কৰা।
১৭মই খুবেই আনন্দিত হৈছো কিয়নো স্তিফান, ফৰ্তুনাটচ
আৰু আখায়া ইয়াত আহি তোমালোক নথকাত মোৰ যি
অভাৱ হৈছিল তাক সম্পূৰ্ণ কৰি দিছিল। ১৮তেওঁলোকে
মোৰ আৰু তোমালোকৰো আত্মাক তৃপ্ত কৰিলে। সেয়ে
তোমালোকে এনেধৰনৰ লোকসমূহৰ অনুদানৰ মূল্য মনত
ৰখা উচিত।
১৯এচিয়া মহাদেশৰ সকলো মণ্ডলীয়ে তোমালোকলৈ
শুভেচ্ছা জনাইছে। আক্কিলা, প্ৰিস্কিলা আৰু
তেওঁলোকৰ ঘৰত আৰাধনাৰ বাবে গোট খোৱা
মণ্ডলীৰ সকলোৱে তোমালোকলৈ শুভেচ্ছা জনাইছে।
২০আটায় ভাই-ভনীসকলে তোমালোকলৈ শুভেচ্ছা
জনাইছে,তোমালোকে পবিত্ৰ চুমাৰে ইজনে সিজনক
শুভেচ্ছা জনোৱা।
২১মই পৌলে, মোৰ নিজ হাতে এই শুভেচ্ছা বাণী লিখি
পঠিয়ালো।
২২যি কোনোৱে প্ৰভুক প্ৰেম নকৰে তেওঁ অভিশপ্ত
হওক।
আমাৰ প্ৰভু আহক।[a]
২৩প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোকৰ লগত থাকক।
২৪খ্ৰীষ্ট যীচুত মোৰ প্ৰেম তোমালোক সকলোৰে লগত
আছে।

[a] **১৬:২২ আমাৰ প্ৰভু আহক** আৰামিক ভাষাত “মাৰানাথা”